# গ্ৰন্থপঞ্জী

## অসমীয়া গ্ৰন্থ


আখতাৰ, মুবিনা। প্ৰকৃতি-পৰিৱেশ-প্ৰত্যাহ্বানৰ গ্ৰীন ৰিপ'টিং। ৰেখা প্ৰকাশন, গুৱাহাটী-১। প্ৰথম প্ৰকাশ, ২০১৭। মুদ্ৰিত।

ওজা, অঞ্জন কুমাৰ। সম্পাঃ। সাহিত্য সমালোচনা তত্ত্ব। নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন সমিতি। দ্বিতীয় পৰিৱৰ্ধিত প্ৰকাশ,২০১৩। মুদ্ৰিত।

কোচ, শিবেন্দ্ৰ নাৰায়ণ। কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ। বাণীপ্ৰকাশ মুদ্ৰণী। প্ৰথম প্ৰকাশ। ডিচেম্বৰ,২০১২।

গগৈ, তৰালি আৰু অন্যান্য।সম্পাঃ। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আৰু লক্ষ্মীনাথ বেজবৰুৱা। পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী। প্ৰথম প্ৰকাশ,২০১৩। মুদ্ৰিত।

গগৈ, লীলা। অসমৰ সংস্কৃতি। বনলতা, গুৱাহাটী-১। অষ্টম সংস্কৰণ- ২০১১। মুদ্ৰিত।

চৌধুৰী, অম্বিকাচৰণ। কোচ-ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি। ইউনিক প্ৰিন্টাৰ্ছ, বঙাইগাঁও। তৃতীয় প্ৰকাশ,২০১১। মুদ্ৰিত।

ডেকা, ৰাতুল। সাহিত্য সমালোচনা তত্ত্ব পৰিচয় আৰু প্ৰয়োগ। সম্প্ৰীতি, জালুকবাৰী, গুৱাহাটী- ১৪। প্ৰথম প্ৰকাশ, ২০১৭। মুদ্ৰিত।

দেৱ, ফণীশ নাৰায়ণ। বঙাইগাঁৱৰ প্ৰচলিত সাধু। বঙাইগাঁও জিলা সাহিত্য সভা। দ্বিতীয় প্ৰকাশ। জানুৱাৰী,২০২২। মুদ্ৰিত।

দাস, অৰূপজ্যোতি। কামতেশ্বৰ বিশ্বসিংহ আৰু কোচৰ শেষ অভ্যুত্থান। ব্লু স্পেৰ' বুকচ্। প্ৰথম প্ৰকাশ,২০১৮। মুদ্ৰিত।

দাস, গীতিকা আৰু ৰাভা, লোহিত। সম্পাঃ। অসমৰ জনজাতীয় সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা। পূৰ্বায়ণ প্ৰকাশ, প্ৰথম প্ৰকাশ। জানুৱাৰী, ২০০৯। মুদ্ৰিত।

দত্ত, দিব্যলতা। জনগোষ্ঠীয় সাধুৰ সমগ্ৰ। অসম সাহিত্য সভা। প্ৰথম প্ৰকাশ, ২০১৮। মুদ্ৰিত।

দাস, নাৰায়ণ আৰু ৰাজবংশী, পৰমানন্দ। সম্পাঃ। অসমীয়া সংস্কৃতিৰ কণিকা। আৰোৰা ফাইন আৰ্টচ্। বামুণীমৈদাম, গুৱাহাটী। তৃতীয়

সংস্কৰণ, ২০০৬। মুদ্রিত।
নেওগ, গীতিমালিকা আৰু বৰা, নয়নতৰা। সাধুকথা দেশে দেশে যুগে যুগে। নয়নতৰা প্রকাশন,গুৱাহাটী-১। প্রথম প্রকাশ, ২০১৯। মুদ্রিত।
নাথ, দ্বিজেন । গোৱালপৰীয়া লোককথাৰ মৌ-কোঁহ। বনলতা, গুৱাহাটী- ১। প্রথম সংস্কৰণ, ২০১৪। মুদ্রিত।
নাথ, দ্বিজেন। গোৱালপৰীয়া লোককথাৰ সুগন্ধি সৌৰভ। বনলতা, গুৱাহাটী-১। প্রথম সংস্কৰণ, ২০১৪। মুদ্রিত।
নাথ, দ্বিজেন। গোৱালপৰীয়া লোক সংস্কৃতি। বনলতা, গুৱাহাটী-১। দ্বিতীয় প্রকাশ, জুলাই,২০১৩। মুদ্রিত।
নাথ, দ্বিজেন। গোৱালপৰীয়া ভাৱাইয়া গীতত দৃষ্টিপাত। পূর্বাঞ্চল প্রকাশ, গুৱাহাটী- ৬। প্রথম প্রকাশ,২০১৭। মুদ্রিত।
পাঠক, মহানন্দ। একৈছ শতিকাৰ পৰিৱেশ গৱেষণাত ভূত। বনলতা, গুৱাহাটী-১। প্রথম সংস্কৰণ,২০১৫। মুদ্রিত।
বর্মন, শিৱনাথ। লোককৃষ্টিৰ উৎস। অসম প্রকাশন পৰিষদ। চতুর্থ প্রকাশ,২০১৫। মুদ্রিত।
বৰা, প্রমোদ। কোচ ৰাজবংশী জনগোষ্ঠীৰ সামাজিক ইতিহাস। পূর্বাঞ্চল প্রকাশ। প্রথম প্রকাশ,২০২২। মুদ্রিত।
বৰগোহাঞি, হোমেন আৰু বৰকটকী, অৰিন্দম।সংকলক। লক্ষ্মীনাথ বেজবৰুৱা। ষ্টুডেন্টচ্ ষ্ট'ৰচ্। গুৱাহাটী- ৭৮১০০১। দ্বিতীয় প্রকাশ, ২০১৬। মুদ্রিত।
বৰুৱা, প্রহ্লাদ কুমাৰ। অসমীয়া লোকসাহিত্য। অসম সাহিত্য সভা। দ্বিতীয় সংস্কৰণ চেপ্তেম্বৰ, ২০০১। মুদ্রিত।
ভকত, দ্বিজেন্দ্র নাথ। অসমৰ কোচ-ৰাজবংশী জনজাতি। ছেন্টাৰ ফৰ এথ্নিক ষ্টাডি এণ্ড ৰিচার্ছ, চিলাৰায় ক'লেজ, গোলকগঞ্জ। প্রথম প্রকাশ,২০০৮। মুদ্রিত।
ভকত, দ্বিজেন্দ্র নাথ। ৰাজবংশী লোক দেৱতা মাশান। জনগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্র, চিলাৰায় মহাবিদ্যালয়,গোলকগঞ্জ। প্রথম প্রকাশ, ২০০৭। মুদ্রিত।

ভকত, লাৱণ্য। ৰাজবংশী সংস্কৃতিত নাৰী। বনমালী প্ৰকাশন, ধুবুৰী। প্ৰথম প্ৰকাশ, ডিচেম্বৰ,২০১৮। মুদ্ৰিত।

ৰাজবংশী, অমিয়া। অনুঃ। চাৰ্লছ ডাৰউইন প্ৰজাতিৰ উৎপত্তি। অসম প্ৰকাশন পৰিষদ। প্ৰথম প্ৰকাশ,২০২১। মুদ্ৰিত।

ৰায়, গৌৰীমোহন আৰু শৰ্মা, গায়ত্ৰী। পশ্চিম অসমৰ লোক-সংস্কৃতিৰ আভাস। ভৱানী বুক হাউচ, ধুবুৰী- ৭৮৩৩০১। প্ৰথম প্ৰকাশ- মাৰ্চ,১৯৯৭। মুদ্ৰিত।

ৰায়, গৌৰীমোহন। সম্পাঃ। ৰাজবংশী সংস্কৃতিত সোণাৰায় পূজা আৰু গীত। নৰনাৰায়ণ প্ৰেছ। গৌৰীপুৰ(অসম), প্ৰথম প্ৰকাশ-১৫, জানুৱাৰী,২০০৪। মুদ্ৰিত।

ৰায়, জয়া ৰাণী। সম্পাঃ। সুবচনী। ৰাজবংশী মহিলা একাডেমী, ধুবুৰী। দ্বিতীয় প্ৰকাশ, ২০১৭। মুদ্ৰিত।

ৰায়, মনীন্দ্ৰ নাথ ।টেপু দাৰ কেচ্চা। কোচ ৰাজবংশী সাহিত্য সভা। প্ৰথম প্ৰকাশ,২০২৩। মুদ্ৰিত।

শৰ্মা, অঞ্জন। অনুঃ ।কোচবিহাৰৰ ইতিহাস। ভৱানী বুক্‌ছ, গুৱাহাটী। দ্বিতীয় প্ৰকাশ, নৱেম্বৰ, ২০১৬। মুদ্ৰিত।

শৰ্মা, গিৰিধৰ। সম্পাঃ। অসমীয়া জাতিৰ ইতিবৃত্ত। অসম সাহিত্য সভা, বনলতা, গুৱাহাটী-১। চতুৰ্থ প্ৰকাশ, জুলাই,২০১১। মুদ্ৰিত।

শৰ্মা, নবীন চন্দ্ৰ। অসমীয়া লোক-সংস্কৃতিৰ আভাস। বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড। পঞ্চম প্ৰকাশ- ২০১১। মুদ্ৰিত।

শৰ্মা, নবীন চন্দ্ৰ। ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ লোক সংস্কৃতি। বাণী প্ৰকাশ মন্দিৰ, গুৱাহাটী। চতুৰ্থ প্ৰকাশ- ২০১৬। মুদ্ৰিত।

শৰ্মা, শশী। অসমৰ সাধু। ষ্টুডেন্টচ্ ষ্ট’ৰচ্। গুৱাহাটী-৭৮১০০১। প্ৰথম সংস্কৰণ, ডিচেম্বৰ,২০১৫। মুদ্ৰিত।

হাটো, ৰাশ্বিংটন ৰাভা। অসমৰ জনজাতীয় সাধু। ষ্টুডেন্টচ্ ষ্ট’ৰচ্, গুৱাহাটী-১। প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০১৯। মুদ্ৰিত।

# ইংৰাজী গ্ৰন্থ


Barma, Sukhbilas.Rajbanshi Folk Tales and Folk Songs. Sahitya Akademi. 2017. Print.

Barry, Peter.Beginning Theory. Manchester University Press. Third edition.2009.PDF

Bhakat, Nath Dwijendra.Edit. Myths and Tales of Koch-Rajbangshis of Western Assam. Published by Sahitya Akademi. First Edition.2021.Print

Desjarding, R. Joseph.Environmental Ethics. Wadsworth, USA. Third Edition.2013. PDF

Gaard, Greta.Edit. Ecofeminism Women, Animal, Nature. Temple University Press, Philadelphia. 1993. PDF

Gait, E.A. History of Assam. Second Edition ,1926. Thacker. Spink & CO, Calcutta and Simla. PDF

Garrard, Greg. Ecocriticism: The New Critical IDIOM. Routledge. Milton Park. Abingdo. first Published. 2012. Print.

Glotfelty, Cheryll and Fromm, Harold.Edit. The Ecocriticism Reader. University of Georgia Press. 1996.PDF

Goswami, Propulladatta. Ballads and Tales of Assam: A Study of the Folklore of Assam. Internet Archive. PDF

Hartland, Edwin Sindey.The Science of Fairy Tales. Internet Archive in 2007.PDF

Hasnain, Nadeem. Indian Anthropology. Palaka Prakashan. Delhi.7th Edition. 2020. Print.

Jha, Makhan. An Introduction to Anthropological Thought. Bikas Publishing House Private.Limited. Noida Third Reprint. 2021. Print.

Latham, R.G. Ethnology of India. Printed by Woodfall and Kinder. Internet Archive. PDF

Lynch, Tom, et al.Edit. The Bioregionalism. University of Georgia Press. 2021. Print.

Love, A. Glen. Practical Ecocriticism. University of Virginia Press. first published. 2003.PDF

Majumder, D.N and Madan, T.N. An Introduction to Social Anthropology. Published by Mayur Books, New Delhi. 39th Edition. 2022. Print.

McGinnis, Michael Vincent .Edit. Bioregionalism. First Published 1999. Routledge.PDF.

Nayar, K. Promod. Contemporary Literary and Cultural Theory. Published by Pearson India Education services Pvt.Ltd. Uttar Pradesh, India. Fourty-sixth Impression 2022. Print.

Pamlmer, Clare et al. Environmental Ethics. The Annual Review of Environment and Resources. First Published  2014. PDF

Ramakrishnan, P.S. The Cultural Cradle of Biodiversity. National Book Trust, India. Fourth Edition 2018. Print.

Risley; H.H. The Tribes and Caste of Bengal. printed at the Bengal Secretariat Press, 1892. PDF

Sanyal, Charu Chandra. The Rajbongshis of North Bengal. Published by The Asiatic Society. Reprint 2002. PDF

Slovic, Scott .Edit.Eco Criticism. Big Ideas and Practical Strategies. orient Blackswan Private Limited, Hyderabad. Telangana. first published 2018. Print.

Sumathy, U. Ecocriticism. Sarup Book Publishers Pvt. Ltd. New Delhi. First Published 2009.Print.

Taback Hal and Ramanan, Ram. Environmental Ethics and Sustainability. Taylor & francis Group, 2014. PDF

Thayer JR, Robert L. Life Place Bioregional Thought and Practice. University of California Press, 2003. PDF

Thompson's, Stith. The Folktale, Dryden Press, 1946. New York. PDF

Thomson's, Stits. Motif-Index of Folk-Literature. Bloomington, 1955-1958. Published on Internet 2016. PDF

Warren, Karen J. Ecofeminism Women, Culture, Nature. Indiana University Press. 1997. PDF

Zuali, Josephine. L.B. Selected Mizo Folktales and Songs: An Ecocritical Reading. Mizoram University. Print 2012. PDF.

## বাংলা গ্রন্থ

ঘোষাল, নিরুপম। সম্পাঃ।শ্রেষ্ঠ ঠাকুরমারঝুলি। আনন্দ প্রকাশন, কলকাতা। চতুর্থ সংস্করণ, ২০১৫। মুদ্রিত।

চট্টোপাধ্যায়, সৌগত। সম্পাঃ। লোককথার বর্ণমালা। বঙ্গীয় সাহিত্য সংসদ, কলকাতা। প্রথম প্রকাশ, ২০১৪। মুদ্রিত।

ঠাকুর, স্বপনকুমার। বাংলার কৃষিকাজ ও কৃষিদেবতা। খড়ি প্রকাশনী। দ্বিতীয় মুদ্রণ, ২০২২। মুদ্রিত।

## Website

https://vc.bridgew.edu/jiws/

https://www.sciencedirect.com/

https://www.annualreviews.org/

https://ro.uow.edu.au/asj/vol11/iss1/

https://www.resurgence.org/magazine/article2629-nature-and-culture.html

https://journals.openedition.org/sapiens/1691

https://journals.sagepub.com/

https://archive.org/

https://shodhganga.inflibnet.ac.in/

https://literariness.org/

# তথ্যদাতাৰ তালিকা

| নাম | ঠিকনা | বয়স | লিংগ | জীৱিকা |
|---|---|---|---|---|
| গৌৰীমোহন ৰায় | গৌৰীপুৰ, ধুবুৰী | ৫৩ | পুৰুষ | কৃষক, লেখক |
| সুনীল চন্দ্র শীল | গোলকগঞ্জ, ধুবুৰী | ৬০ | পুৰুষ | ব্যৱসায় |
| নুদ বালা ৰায় | বাণিয়ামাৰী, ধুবুৰী | ৬০ | মহিলা | গৃহিণী |
| ছানি বালা ৰায় | ডুমৰদহ, ধুবুৰী | ৬০ | মহিলা | গৃহিণী |
| ৰাজা বালা ৰায় | ডুমৰদহ, ধুবুৰী | ৬৩ | মহিলা | গৃহিণী |
| প্ৰফুল্ল চন্দ্ৰ ৰায় | দক্ষিণ ৰায়পুৰ, ধুবুৰী | ৬১ | পুৰুষ | শিক্ষক |
| চিন্ত ৰায় | গাইখোৰা, ধুবুৰী | ৬৫ | পুৰুষ | কৃষক |
| মণিবালা ৰায় | গাইখোৰা, ধুবুৰী | ৬০ | মহিলা | গৃহিণী |
| গণেশ ৰায় | গাইখোৰা, ধুবুৰী | ৬৩ | পুৰুষ | কৃষক |
| মূলা ৰায় | গাইখোৰা, ধুবুৰী | ৬৭ | পুৰুষ | কৃষক |
| মালচান বৰ্মন | খাড়ুচৰ, ধুবুৰী | ৭০ | পুৰুষ | কৃষক |
| হেমচন্দ্ৰ ৰায় | ধাউলীগুৰী, কোকৰাঝাৰ | ৭২ | পুৰুষ | কৃষক |
| জয়মতী বালা ৰায় | ধাউলীগুৰী, কোকৰাঝাৰ | ৬৫ | মহিলা | গৃহিণী |
| চানো বালা ৰায় | দক্ষিন ডিমলগাঁও, কোকৰাঝাৰ | ৮০ | মহিলা | গৃহিণী |
| ভন্টিবালা ৰায় | দক্ষিন ডিমলগাঁও, কোকৰাঝাৰ | ৭৫ | মহিলা | কৃষক, গৃহিণী |
| আহিল্যা ৰায় | কাশীটাৰি, কোকৰাঝাৰ | ৪৫ | মহিলা | গৃহিণী |
| দৰিন্দ্ৰ ৰায় | চন্দ্ৰপাৰা, কোকৰাঝাৰ | ৮০ | পুৰুষ | কৃষক |
| চক্ৰপাণী ৰায় | ডিমলগাঁও,কোকৰাঝাৰ | ৫৫ | পুৰুষ | ব্যৱসায় |
| কান্তেশ্বৰ ৰায় | জৰেগাঁও, কোকৰাঝাৰ | ৮০ | পুৰুষ | অৱসৰপ্ৰাপ্ত শিক্ষক |
| তুলিকা ৰায় | ধাউলীগুৰী, কোকৰাঝাৰ | ৫৫ | মহিলা | গৃহিণী |
| সুভাস চন্দ্ৰ বৰ্মন | গুমাইঝাৰ, গোৱালপাৰা | ৫৭ | পুৰুষ | শিক্ষক |
| নিতানন্দ ৰায় | শগুনবাহী, গোৱালপাৰা | ৮০ | পুৰুষ | কৃষক |
| ফণী ৰায় | দুধনৈ, গোৱালপাৰা | ৬০ | পুৰুষ | শিক্ষক |
| ৰণজিৎ ৰায় | বাণিয়াপাৰা, গোৱালপাৰা | ৪১ | পুৰুষ | চৰকাৰৰ কৰ্মচাৰী |
| নিৰঞ্জন ৰায় | দুধনৈ, গোৱালপাৰা | ৫৯ | পুৰুষ | চৰকাৰৰ কৰ্মচাৰী |
| মিনতি দেৱী | কাশিকত্ৰা, চিৰাং | ৫৫ | মহিলা | শিক্ষয়ত্ৰী |
| চাণিক্য প্ৰধানী | বাসুগাঁও, চিৰাং | ৫৮ | পুৰুষ | শিক্ষক |
| মুকুন্দ সিংহ | আটুগাঁও, বঙাইগাঁও | ৫৮ | পুৰুষ | কৃষক |
| ফণীশ নাৰায়ণ দেৱ | পুৰণি বঙাইগাঁও | ৫৫ | পুৰুষ | শিক্ষক |
| ৰবেন বৰ্মন | দেৱানগাঁও, বঙাইগাঁও | ৬৫ | পুৰুষ | কৃষক |
| কান্তেশ্বৰ বৰুৱা | দেৱানগাঁও, বঙাইগাঁও | ৬৭ | পুৰুষ | কৃষক |

## পৰিশিষ্ট—১
## ক্ষেত্ৰ অধ্যয়নৰ স্থিৰ চিত্ৰ



চিত্ৰ—১
স্থানঃ দক্ষিণ ডিমল গাঁও, কোকৰাঝাৰ



চিত্ৰ—২
স্থানঃ পুৰণি বঙাইগাঁও



চিত্ৰ—৩
স্থানঃ গৌৰীপুৰ, ধুবুৰী



চিত্ৰ—৪
সাধুকথা সংগ্ৰহৰ সময়ত গৱেষক
স্থানঃ গোলকগঞ্জ, ধুবুৰী



চিত্ৰ—৫
সুবচনী পূজাৰ সাধুকথা সংগ্ৰহৰ সময়ত গৱেষক
স্থানঃ ডুমৰদহ, ধুবুৰী



চিত্ৰ—৬
সাধুকথা সংগ্ৰহৰ সময়ত গৱেষক
স্থানঃ গাইখোৱা, ধুবুৰী



চিত্ৰ—৭
সাধুকথা সংগ্ৰহৰ সময়ত গৱেষক
স্থানঃ শগুনবাহী, গোৱালপাৰা



চিত্ৰ—৮
স্থানঃ ধাউলীগুৰী, কোকৰাঝাৰ



চিত্ৰ—৯
ভাৰুৱাকাটা শিলাখণ্ড
স্থানঃ বঙাইগাঁও


ISSN: 2454-3837

Vol.-VII | Issue-II | September 2021

# সম্প্ৰীতি
# samprīti

ৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকা

Double Blind Peer Reviewed National Research Journal of Humanities and Social Sciences



**UGC-CARE**
**Listed Journal**
(Bi-Lingual)

ISSN 2454-3837

Editor in Chief
Dr. Dhiraj Patar

Assistant Editor
Dr. Rumi Patar

# Content

অসম বুৰঞ্জীত প্ৰতিফলিত পুৰণি অসমৰ মাত-কথা আৰু সমাজ ব্যৱস্থা
*সাতসৰী অসম বুৰঞ্জীৰ* আধাৰত এক আলোচনা
*ড° সংগীতা শইকীয়া* 11-26

গগণ চন্দ্ৰ অধিকাৰীৰ শিশু সাহিত্য ঃ এক অধ্যয়ন
*সঞ্জয় আচাৰ্য* 27-39

অসমৰ সাহিত্য আৰু সংস্কৃতিৰ উত্তৰণত আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ভূমিকা
*ড° মিতালী নাথ* 40-47

ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্পত আৰ্থ-সামাজিক দিশ ঃ এক বিশ্লেষণ
*ড° ধনেশ্বৰ কলিতা* 48-53

ভূপেন হাজৰিকাৰ গীতত উত্তৰপূৰ্বাঞ্চলৰ সামাজিক-সাংস্কৃতিক
জীৱনৰ প্ৰতিফলন ঃ এটি আলোচনা
*লক্ষ্মণা দত্ত* 54-61

কোচ ৰাজবংশী জনগোষ্ঠীয় লোক দেৱতা ঃ এক সমাজতাত্ত্বিক অধ্যয়ন
*চক্ৰধৰ ৰায়, ড° ৰাতুল ডেকা* 62-70

জেহ্‌ৰুল হুছেইনৰ হাস্যৰসাত্মক শিশু সাহিত্য ঃ এক বিশ্লেষণাত্মক আলোচনা
*ড° নৱমী গগৈ* 71-76

বন্তি শেনচোৱাৰ চুটিগল্পত লোকপৰম্পৰা
*গীতাশ্ৰী দেৱী* 77-85

নৱকান্ত বৰুৱাৰ কবিতাত মহাকাব্যিক সমল ঃ সংগ্ৰহণ আৰু পুনঃসৃজন বিচাৰ
*ড° হৰি প্ৰসাদ বৰুৱা* 78-94

**Sampriti**
Vol.-VII, Issue-II, September 2021
ISSN: 2454-3837
Pages: 62-70

# কোচ ৰাজবংশী জনগোষ্ঠীয় লোক দেৱতা ঃ এক সমাজতাত্ত্বিক অধ্যয়ন

চক্ৰধৰ ৰায়
*গৱেষক (Correspondent Author), অসমীয়া বিভাগ, বড়োলেণ্ড বিশ্ববিদ্যালয়*

ড° ৰাতুল ডেকা
*সহকাৰী অধ্যাপক, বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ, অসম*

## সংক্ষিপ্তসাৰ

ঐতিহাসিক বস্তুবাদ তত্ত্বৰ আধাৰত প্ৰাগ ঐতিহাসিক কালৰ পৰা মানৱ সভ্যতাৰ যি বিৱৰ্তনৰ গতি আৰু এনে বিৱৰ্তনৰ যি বিশ্বজনীন চৰিত্ৰ তাক সহজে অনুমান কৰিব পাৰি। মানৱ সভ্যতাৰ ক্ৰম বিৱৰ্তনৰ এনে ধাৰাত গঢ় লৈ উঠা প্ৰতিটো জাতি জনগোষ্ঠীৰ বিৱৰ্তনৰ যি অভিজ্ঞতা সেয়া একে। দাৰ্শনিক Karl Marx ৰ মতে ঐতিহাসিক ক্ৰমবিৱৰ্তনৰ যোগেদি মানৱ সভ্যতাই এটা স্তৰৰ পৰা আন এটা স্তৰলৈ উত্তৰণ ঘটিছে। দৰাচলতে প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰিবলৈ গৈ মানুহে সমাজবদ্ধ ভাবে বসবাস কৰিবলৈ আৰম্ভ কৰে। গ্ৰীক দাৰ্শনিক প্লেট' আৰু এৰিষ্টটলৰ মত অনুসৰি সমাজ বিৱৰ্তনৰ মূল কাৰণ হল মানুহৰ কৰ্মতৎপৰতা। পাশ্চাত্যৰ বহু পণ্ডিতে ডাৰউইনৰ বিৱৰ্তনৰ মতবাদক সমৰ্থন কৰিলেও সমাজ বিৱৰ্তনৰ ধাৰাত Karl Marx ৰ চিন্তাধাৰাক সমৰ্থন নকৰে। পাশ্চাত্যৰ নৃ-বিজ্ঞানীয়ে যথাযথ ভাবে সমাজ বিৱৰ্তনক— আদিম যুগ, পশুপালন যুগ, কৃষি যুগ আৰু শিল্প যুগত বিভক্ত কৰিছে। সমাজ আৰু সংস্কৃতিৰ

সম্বন্ধ ওতঃপ্ৰোত। সংস্কৃতিৰ ধাৰণাই দৰাচলতে এক উন্নত জীৱন চৰ্চাৰ দিশটোৰ কথাকে কয়। সমাজ বিৱৰ্তনৰ সমান্তৰালভাৱে সংস্কৃতিৰ বিৱৰ্তন অৱধাৰিত। এক ধাৰাবাহিক পৰ্যালোচনা কৰিলে দেখা যাব যে অসমৰ কোচ ৰাজবংশী জনগোষ্ঠী এক জটিল সমাজ বিৱৰ্তনৰ মাজেদি গতি লাভ কৰিছে। সামন্তবাদী চিন্তাধাৰাৰ আৱিৰ্ভাৱৰ পৰাই এই জনগোষ্ঠীটো ৰাজনৈতিক, অৰ্থনৈতিক, ভাষিক আৰু সাংস্কৃতিক একক সত্তা সমূহক ভৌগলিক ভাৱে প্ৰান্তীয়কৰণ কৰা হৈছে। এনে অৱস্থাত কোচ ৰাজবংশী জনগোষ্ঠীটোৰ নিজৰ নৃ-গোষ্ঠীয় বৈশিষ্ট্য বিপন্ন অৱস্থাত পৰ্যাৱেক্ষিত হৈছে। যাক আমি নৃতাত্ত্বিক বা সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা পৰ্যালোচনা বা নিৰূপণ কৰিব পাৰোঁ। কোচ ৰাজবংশী লোক সংস্কৃতিৰ অন্যতম দিশ হল লোক দেৱতা সমূহ। প্ৰাগ ঐতিহাসিক কালৰে পৰা প্ৰচলিত এই লোক দেৱতা সমূহৰ চৰ্চাৰ প্ৰসঙ্গত কোচ ৰাজবংশী সকলৰ সমাজতাত্ত্বিক বা নৃতাত্ত্বিক বিৱৰ্তনৰ বহু দিশ জড়িত হৈ আছে। এনে কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখিয়ে আমাৰ এই গৱেষণা পত্ৰখনত কোচ ৰাজবংশীয় লোক দেৱতাৰ এক সমাজতাত্ত্বিক অধ্যয়ন কৰিবলৈ প্ৰযত্ন কৰা হব।

**সূচক শব্দ ঃ** কোচ ৰাজবংশী, বিৱৰ্তন, সমাজতাত্ত্বিক, সভ্যতা।

**অৱতৰণিকা ঃ**

সাম্প্ৰতিক সময়ত কোচ আৰু কোচ ৰাজবংশী দুটা পৃথক জনগোষ্ঠী নেকি? এই প্ৰশ্নটোৱে এক সামাজিক মতদ্বন্দ্ব (Social Conflict) ৰ সৃষ্টি কৰিছে। যিয়ে নেকি বিস্তৃত ৰূপত এক সমাজতাত্ত্বিক, নৃতাত্ত্বিক অধ্যয়নকে দাবী কৰে। বহুতো পণ্ডিতে এই ক্ষেত্ৰত বিভিন্ন মতবাদ পোষণ কৰা পৰিলক্ষিত হয়। তাৰে ভিতৰত বেছি সংখ্যাক পণ্ডিতৰ মতে কোচ ৰাজবংশী সকল কোচ নৃ-গোষ্ঠীৰে অংশ। সংস্কৃতায়নৰ শক্তিশালী বলয়ত নিজৰ প্ৰকৃত ভাষা, সংস্কৃতি পৰিহাৰ কৰি আৰ্যসংস্কৃতিৰ গ্ৰহণেৰে এক স্বতন্ত্ৰ জাতি সত্তা ৰূপত আত্মপ্ৰকাশ ঘটায়। ৰাজতন্ত্ৰৰ পৃষ্ঠপোষকতাত গঢ়লৈ উঠা এনে নব্য জাতি সত্তাত পিছলৈ সৰু সৰু নৃ-গোষ্ঠী সমূহ আকৰ্ষণ আৰু চামিল কৰণ প্ৰক্ৰিয়াই এই জনগোষ্ঠীটোক বিস্তৃত কৰি তোলে। 'ৰজাৰ বংশ এতেকে ৰাজবংশী এনে ধৰণৰ জাতিবাচক শব্দৰ ব্যৱহাৰ যোড়শ শতিকাৰ পৰা হে আৰম্ভ হোৱা বুলি পণ্ডিত সকলে কব বিছাৰে।' (ভকত, দ্বিজেন্দ্ৰনাথ ১৩) উল্লেখযোগ্য যে ইতিহাসৰ পাতত কোচ সকলক বিশ্বসিংহৰ উত্থানৰ পৰা হে বিতং ভাৱে আলোচিত হোৱা দেখা যায়। কিয়নো অনুমানিক ১৪৯৬ খৃষ্টাব্দত উত্থান লাভ কৰা বিশ্ব সিংহ আৰু পৰৱৰ্তী কোচ নৃপতি সকলে এক দীৰ্ঘ সময়ছোৱা ধৰি আধুনিক ভাৰতবৰ্ষ, বাংলাদেশ, নেপাল আৰু ভূটানৰ এক বৃহৎ এলেকা সামৰি নিজ ৰাষ্ট্ৰৰ প্ৰসাৰণ আৰু সামৰিক শক্তিৰ সাফল্যৰ শীৰ্ষ স্থানত অৱস্থান কৰিছিল। 'কিন্তু ইয়াৰ পূৰ্বেও অনুমানিক চতুৰ্থ শতিকাৰ শেষৰ ফালে শঙ্কলাদেব নামৰ এজন কোচ ৰজা কামৰূপত অত্যান্ত পৰাক্ৰমী হৈ উঠিছিল বুলি জনা যায়।' (চৌধাৰী ৭৫) 'কৱি ফাৰ্দ্দচীৰ শাহনামা আৰু কাসিম ফেৰিস্তাৰ বিৱৰণি মতে পোৱা যায় যে এই শঙ্কলাদেব ৰজাই উত্তৰ ভাৰতো বিজয় কৰিছিল আৰু উত্তৰ ভাৰতৰ সামন্তৰজা কেদাৰ ব্ৰাহ্মাক কৰতলীয়া কৰিছিল।' (চৌধাৰী ৭৫) গতিকে এনে এক পৰাক্ৰমী জাতিৰ প্ৰাচীন ভৌগলিক

পৰিসীমাই এই জনগোষ্ঠীটোৰ চহকী সাংস্কৃতিক বলয়াৰ কথাই আমাক গৌৰৱায়। কিন্তু পৰৱৰ্তী সময়ছোৱাত ৰাজ শক্তিৰ পতন, উপনিৱেশিকতাৰ আগ্ৰাসন আৰু স্বাধীন ভাৰতবৰ্ষৰ বিভাজনে এই জনগোষ্ঠীটোক ভৌগলিক ভাবে প্ৰান্তীয়কৰণ কৰি পেলালে। কিন্তু এক দীৰ্ঘ সময়ছোৱা গতি হোৱা এনে ভৌগলিক, ৰাজনৈতিক অৰু সামাজিক পৰিৱৰ্তনৰ পিছতো বহুতো নৃ-গোষ্ঠীয় বৈশিষ্ট্য এই জনগোষ্ঠীৰ লোক সকলে এতিয়াও বহন কৰি থকা দেখা যায়। আনহাতে সংস্কৃতায়নৰ পিছতে 'ৰাজবংশী' শব্দটো বহুল ভাবে ব্যবহাৰ হবলৈ ধৰে তথা পৰৱৰ্তী সময়ছোৱাত বহুতো প্ৰাচীন নৃ-গোষ্ঠীয়ে সংস্কাৰৰ মাজেদি নিজকে কোচ ৰাজবংশী বুলি পৰিচয় দিবলৈ ভাল পায়। এইক্ষেত্ৰত দ্বিজেন্দ্ৰ নাথ ভকতে কোচ ৰাজবংশী জনগোষ্ঠীটোৰ বিভিন্ন ঠাল আৰু স্তৰৰ কথা বিতংভাৱে উল্লেখ কৰিছে। তেখেতে উল্লেখ কৰা ঠাল সমূহৰ ভিতৰত মদাসী বা মদাসিয়া ৰাজবংশী, শৰণীয়া, সৰু কোচ, বৰ কোচ, হাজং ৰাজবংশী, জলদা ৰাজবংশী, মোৰঙীয়া ৰাজবংশী, দোভাসিয়া ৰাজবংশী, কোচ কাহাৰ ৰাজবংশী, পানী কোচ, দেশীয়া ৰাজবংশী, পালীয়া ৰাজবংশী আদি। এই স্তৰ বিভাজনৰ প্ৰথমটো স্তৰ আছিল মদাসী ৰাজবংশী। সংস্কৃতায়নৰ পূৰ্বে মদাসী সকলৰ মাজত পূজা পাতল বা বিয়া সবাহত গাহৰি বলি দিয়াৰ প্ৰথা প্ৰচলিত আছিল। ঠিক একে দৰে কোচ সকলৰ আদিম অৱস্থাটোক বহুতে পানী কোচ বুলি কব বিচাৰে। এই পানী কোচ সকল বসবাস কৰিছিল ঘন জংঘলৰ মাজত। সংস্কৃতায়নৰ পিছতো কিন্তু এই পানী কোচ সকলৰ মাজত গাহৰি বলি, মদৰ ব্যৱহাৰ, কুকুৰা পালন ইত্যাদি বিষয়বোৰ একে অৱস্থাতে থকা দেখা যায়। গতিকে এনেধৰণৰ উদাহৰণৰ যোগেদি এইটো স্পষ্ট কৰি কব পাৰি যে আৰ্য সকলৰ আগ্ৰাসনত সেই সময়ছোৱাৰ সৰু সৰু নৃ-গোষ্ঠী সমূহ বাদ পৰি যোৱা নাছিল। আনহাতে এনে নৃ-গোষ্ঠী সমূহৰ ৰাজ ধৰ্ম বা ৰাজতন্ত্ৰৰ প্ৰতিও আকৰ্ষিত হৈ সংস্কাৰ মুখী হোৱাৰ থল থাকিব পাৰে। যি কি নহওক কোচ সকলৰ সংস্কৃতায়ন আৰু আন আন নৃ-গোষ্ঠীৰ ব্যাপক সংমিশ্ৰণে এই জনগোষ্ঠীটোৰ পূৰ্বৰ কিছু বৈশিষ্ট্য পৰিহাৰ আৰু সংস্কাৰৰ মাজেৰে নতুন সুঁতি এটা গঢ় লবলৈ আৰম্ভ কৰে। প্ৰণিধানযোগ্য যে এনে ধৰণৰ বিৱৰ্তন কোচ ৰাজবংশী সকলৰ নৃতাত্ত্বিক গঠন আৰু লোক সংস্কৃতিৰ মাজত সহজে স্পষ্ট হৈ উঠা দেখা যায়।

**গৱেষণা পদ্ধতি আৰু পৰিসৰ ঃ**

বিষয়বস্তুৰ উপস্থাপন বিশ্লেষণাত্মক পদ্ধতিৰে কৰা হৈছে। গৱেষণাৰ পৰিসৰ অবিভক্ত গোৱালপাৰা জিলাৰ পৰিক্ষেত্ৰত সীমাবদ্ধ থাকিব। গৱেষণা কৰিবলৈ যাওঁতে মুখ্য আৰু গৌণ সমল হিচাপে বিভিন্ন গ্ৰন্থৰ সহায় লোৱাৰ সমান্তৰাল ভাবে ক্ষেত্ৰ অধ্যয়নক সামৰি লোৱা হৈছে।

**সমাজতত্ত্ব আৰু সংস্কৃতি ঃ**

Sociology শব্দটোয়ে মূলত কোনো এখন সমাজৰ বিকাশ, গঠন প্ৰক্ৰিয়া আৰু কাৰ্য প্ৰণালীৰ বিজ্ঞান সন্মত অধ্যয়নৰ দিশটোক দাঙি ধৰে। অধ্যয়নৰ স্বতন্ত্ৰ শাখা হিচাপে যদিও সমাজতত্ত্ব ইমান পুৰণি নহয় তথাপি ইয়াৰ ইতিহাস প্ৰাচীন। পোন প্ৰথমতে ফৰাছী দাৰ্শনিক Auguste Comte-এ ঊনবিংশ শতিকাৰ মধ্যভাগত জ্ঞানৰ এক নতুন শাখা হিচাপে সমাজতত্ত্বক প্ৰতিষ্ঠা কৰে। তেখেতৰ অন্যতম সৃষ্টি *Positive Philosophy* কিতাপ খনত প্ৰথমবাৰৰ বাবে Sociology শব্দটো ব্যৱহাৰ কৰিছিল। Sociology শব্দটো গঢ়লৈ উঠিছে লেটিন শব্দ Socius

যাৰ অৰ্থ হৈছে 'সহচৰ' আৰু গ্ৰীক শব্দ Logos ৰ অৰ্থ হৈছে অধ্যয়ন বা বিজ্ঞান। দেখা যায় যে জ্ঞানৰ নতুন শাখা হিচাপে সমাজতত্ত্ব বিষয়টো আৰম্ভণিৰ সময়ছোৱাত দৰ্শন, ইতিহাস আৰু জীৱবিদ্যাৰ দ্বাৰা বাৰুকৈ প্ৰভাবিত হৈছিল। যদিও উনবিংশ শতিকাৰ মধ্যভাগত সমাজতত্ত্ব বিষয়টোৱে প্ৰতিষ্ঠা লাভ কৰিছিল তথাপি ইয়াৰ আগতে এনেধৰণৰ চিন্তাধাৰাৰ বাতাবৰণ নথকা নহয়। প্লেটোৰ *Republic*, এৰিষ্টটলৰ *Politics* কৌটিল্যৰ *অৰ্থশাস্ত্ৰ* ইত্যাদি গ্ৰন্থত সমাজক লৈ কিছু চিন্তা চৰ্চাৰ বুনিয়াদ গঠন হোৱা পৰিলক্ষিত হয়। দৰাচলতে অষ্টাদশ শতিকাত ইংলেণ্ডত গঢ়ি উঠা শিল্প বিপ্লৱেই হৈছে সমাজ বৈজ্ঞানিক চিন্তা চৰ্চাৰ অন্যতম কাৰণ। Auguste Comte ৰ পিছতে সমাজতত্ত্ব বিষয়টো শৃংখলাবদ্ধ আৰু বিদ্যায়তনিক চিন্তা চৰ্চাৰে প্ৰাণ পাই উঠে Herbert Spencer ৰ হাতত। তেখেতৰ ১৮৭৭ চনত প্ৰকাশিত যুগান্তকাৰী ৰচনা 'Principales of Sociology' ত সৰ্ব প্ৰথম সমাজতত্ত্ব বিষয়টোৰ বিদ্যায়তনিক ভাবে চৰ্চা কৰা পৰিলক্ষিত হয়। তেওঁৰ Theory of Organic Analogy আৰু ডাৰউইনৰ 'Law of Evalution' তত্ত্বৰ ব্যৱহাৰেৰে সমাজ বিৱৰ্তন আৰু জীৱৰ বিৱৰ্তনক সামঞ্জস্যপূৰ্ণ ভাবে একেটা সমীকৰণতে বিশ্লেষণ আগবঢ়াইছিল। তেওঁ Theory of Organic Analogy ত বিৱৰ্তনৰ সাধাৰণ তত্ত্বক মান্যতা প্ৰদান কৰি সমাজ আৰু জীৱৰ বিৱৰ্তনৰ সাদৃশ্যমূলক কথাখিনি দাঙি ধৰিছিল। Herbert Spencer ৰ মতে জৈৱ বিৱৰ্তনৰ পৰা হে আমি সমাজ বিৱৰ্তনৰ কথাটো অনুধাৱন কৰিব পাৰোঁ। জৈৱ বিৱৰ্তনৰ প্ৰক্ৰিয়া আৰু পৰিকাঠামো তেওঁৰ দৃষ্টিত সমাজ বিৱৰ্তনৰ লগত একে। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত Emile Durkheim আৰু Max Weber দৰে দাৰ্শনিকে সমাজতত্ত্বৰ বিকাশ আৰু সমকালীন চিন্তা চেতনাৰ ক্ষেত্ৰত বিশেষ আৰিহণা যোগাইছিল।

সংস্কৃতি হৈছে কোনো এটা সমাজৰ শৃংখলাবদ্ধ ৰীতি নীতি, আচাৰ ব্যৱহাৰৰ বাহ্যিক প্ৰকাশ। দৰাচলতে সংস্কৃতিত সমাজ এখনৰ মূল্যবোধবোৰ ফুটি উঠে। অন্যহাতে কোনো এখন সমাজৰ ব্যক্তি সকলে সামূহিক ভাবে কৰা আচাৰ-আচৰণ, ৰীতি-নীতি, কৰ্ষন, বিশ্বাস, উদযাপন ইত্যাদি কথাবোৰেই প্ৰচলিত সংস্কৃতিক ধাৰাৰ অন্তঃকাঠামো গঢ় দিয়ে। সমাজ পৰিৱৰ্তনৰ অন্যতম কাৰণ হল সংস্কৃতিৰ ব্যাপন (Culture Diffusion) প্ৰক্ৰিয়া। সংস্কৃতিৰ ব্যাপন প্ৰক্ৰিয়াৰ দ্বাৰাই এটা সংস্কৃতিৰ বিভিন্ন উপাদান আৰু ধাৰণা সমূহ অন্য এটা সাংস্কৃতিক গোষ্ঠীলৈ প্ৰবাহিত হয়। এনে কাৰ্য ভৌগলিক অৱস্থান আৰু যোগাযোগ মাধ্যমে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বৃটিছ নৃতত্ত্ববিদ Edward Tylor- এ উনবিংশ শতিকাত সংস্কৃতিৰ বিৱৰ্তন (Cultural Evalution) ৰ ঠাইত সংস্কৃতিৰ ব্যাপন (Cultural Diffusion) পৰিভাষাৰ ব্যৱহাৰেৰে সংস্কৃতিৰ সংমিশ্ৰণ বা সামঞ্জস্যতাক বিশ্লেষণ আগবঢ়াইছিল। মুখ্যত সংস্কৃতিৰ ব্যাপন প্ৰক্ৰিয়াটোক পাঁচটা ভিন্ন দৃষ্টিকোণেৰে চাব পাৰি (https://en.wikipedia.org) —

১. সম্প্ৰসাৰণ ব্যাপন (Expansion Diffusion)
২. স্থানান্তৰণ ব্যাপন (Relocation Diffusion)
৩. স্তৰবদ্ধ ব্যাপন (Hierarchical Diffusion)
৪. সংক্ৰামক ব্যাপন (Contagious Diffusion)
৫. উদ্দীপক ব্যাপন (Stimulus Diffusion)

সম্প্ৰসাৰণ ব্যাপনত প্ৰক্ৰিয়াত দেখা যায় যে কোনো এটা সংস্কৃতিয়ে নিজৰ উৎস স্থান, শক্তিশালী ভাবে ৰক্ষিত হৈ থাকে আৰু তাৰ পৰাই বিভিন্ন ঠাইলৈ সম্প্ৰসাৰণ লাভ কৰে।

স্থানান্তৰণ ব্যাপনত কোনো সাংস্কৃতিক বৈশিষ্ট্য বা ধাৰণাই নিজৰ উৎস স্থানৰ পৰা সীমাৰ অন্য এক ভৌগলিক পৰিসীমাৰ মাজত গঢ় লবলৈ আৰম্ভ কৰে।

স্তৰবদ্ধ ব্যাপন প্ৰক্ৰিয়াত সংস্কৃতিৰ ধাৰণা সমূহ ডাঙৰ ঠাইৰ পৰা সৰু সৰু ঠাইলৈ সম্প্ৰসাৰণ লাভ কৰে। এনে প্ৰক্ৰিয়াৰ ভৌগলিক দূৰত্ব আৰু অভিজাত শ্ৰেণীৰ প্ৰভাব অন্যতম কাৰণ।

আনহাতে সংক্ৰামক ব্যাপন ক্ষুদ্ৰ স্তৰত সংস্কৃতিৰ ব্যাপন ঘটে। কোনো এক নিৰ্দিষ্ট জনসমষ্টিৰ দৈনন্দিন জীৱনত এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ সংস্কৃতিৰ সম্প্ৰসাৰণ ঘটে। ঠিক একে দৰে উদ্দীপক ব্যাপনত দুটা ভিন্ন সংস্কৃতিক গোষ্ঠীয়ে স্বকীয় ধাৰণাৰ দ্বাৰা এটাই আনটোক প্ৰভাবিত কৰা পৰিলক্ষিত হয়। এনে ব্যাপন প্ৰক্ৰিয়াই কোচ ৰাজবংশী জনগোষ্ঠীটোৰ সংস্কৃতি আৰু সমাজ বিৱৰ্তনত ব্যাপক ভাবে প্ৰভাবিত কৰিছে। সংস্কৃতিৰ সকলো স্তৰতে ব্যাপক ভাবে ঘটা ব্যাপন প্ৰক্ৰিয়াৰ ফলত বৰ্তমান সময়ছোৱাত এই জনগোষ্ঠীয় লোক সকলে নিজৰ প্ৰাচীন নৃ-গোষ্ঠীয় প্ৰায় ভাগ বৈশিষ্ট্য হেৰুৱাই পেলাইছে। গতিকে সংস্কৃতিৰ ব্যাপন প্ৰক্ৰিয়াই যে সমাজ এখনৰ বিৱৰ্তনত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেয়া স্পষ্ট।

**কোচ ৰাজবংশী লোক দেৱতা আৰু সমাজ বিৱৰ্তন ঃ**

প্ৰাগ ঐতিহাসিক কালৰে পৰা পৃথিৱীৰ বিভিন্ন জাতি জনগোষ্ঠীৰ সমূহৰ মাজত লোক দেৱতা সমূহৰ উপাসনা চলি আহিছে। এনে প্ৰাচীন পৰম্পৰাৰ পম খেদিলে স্পষ্ট ভাবে কব পাৰি যে- মানৱ সভ্যতাৰ বিৱৰ্তন তথা পাৰিপাৰ্শ্বিক পৰিস্থিতিত মানুহে নিজৰ আত্মৰক্ষা, প্ৰজনন, শস্যৰ উৎ পাদন আৰু ভূমিৰ উৰ্বৰতাৰ লগতে অপায়- অমঙ্গলৰ পৰা হাত সাৰিবলৈ কোনো এক প্ৰাকৃতিক শক্তিৰ ওপৰত বিশ্বাস গঢ়ি উঠিছিল। পিছলৈ এনে প্ৰাকৃতিক শক্তি সমূহেই লোক দেৱতাৰ ৰূপত আৰ্বিভাৱ হয়। সেইবাবে স্পষ্ট ৰূপত আমি কব পাৰো যে যেতিয়াই মানুহে বিপদত পৰিছে প্ৰকৃতিৰ কোনো শক্তিৰ লগত পৰাস্ত হৈছে তেতিয়াই তাক অলৌকিক শক্তিৰ অধিকাৰী বুলি বশ্যতা স্বীকাৰ কৰিছে আৰু দেৱতাৰ নামত মান্যতা প্ৰদান কৰিছে। সেয়ে প্ৰায় ভাগ লোক দেৱতাৰ বাসস্থান আমি পাওঁ গুহা, গছৰ তল, নদীৰ পাৰ, হাবি- জংঘল ইত্যাদিত। আৰ্যকৰণৰ পিছত প্ৰাচীন নৱ গোষ্ঠীৰ এনে বহুতো লোক দেৱতাক আৰ্য দেৱ-দেৱীৰ লগত ৰিজোৱাৰ প্ৰৱণতা দেখিবলৈ পোৱা যায়।

অকল অসমৰে নহয়, দক্ষিণ পূৱ এছিয়াৰ এক অন্যতম প্ৰধান জনগোষ্ঠী হ'ল কোচ ৰাজবংশী সকল। যাৰ লোক সংস্কৃতিৰ উপকৰণ সমূহত অনাৰ্য আৰু আৰ্য দুয়োটাৰ প্ৰভাৱ পৰিলক্ষিত হয়। সংস্কৃতিৰ অংগ হিচাপে কোচ ৰাজবংশী লোকসকলৰ মাজত প্ৰাচীন কালৰে পৰা বিভিন্ন লোক দেৱতাক পূজা অৰ্চনা কৰি আহিছে। তাৰে ভিতৰ মাশান দেও, হুদুম দেও, সোণাৰায় পূজা অন্যতম। মূলত এই লোক দেৱতা সমূহৰ অৰ্চনাৰ উদ্দেশ্যলৈ মন কৰিলে দেখা যায় প্ৰকৃতিৰ বিভিন্ন আপদ বিপদৰ পৰা হাত সাৰিবলৈ এই পূজা সমূহ কৰা হৈছে আৰু যিয়ে পিছলৈ পৰম্পৰাগত ভাবে চলি থাকিল। 'মাশান দেও' কোচ ৰাজবংশী সকলৰ মাজত অপদেৱতা বা জলদেৱতা ৰূপত পৰিচিত। 'সম্প্ৰতি ই উত্তৰ বঙ্গ আৰু পশ্চিম অসমৰ লোক দেৱতা হিচাপে জনাজাত হলেও বাংলাদেশৰ

প্ৰাচীন ৰংপুৰ জিলা আৰু নেপালৰ ঝাপা মোৰং অঞ্চল, বিহাৰৰ প্ৰাচীন পূৰ্ণিয়া জিলাতো এই দেৱতা পূজিত হয়।' (ভকত, দ্বিজেন্দ্ৰনাথ ১) সাধাৰণতে 'মাশান দেও' নদী, পুখুৰী, বিল আদি জলাশয়ত বসবাস কৰে বুলি জনবিশ্বাস চলি আহিছে। সেই সূত্ৰে কোনো ঠাইত নদী বা বিল আদিত ৰাইজে সামূহিক ভাবে মাছ মৰাৰ আগতে মাশান দেও পূজা আগবঢ়োৱা দেখা যায়। প্ৰায় ওঠৰ প্ৰকাৰৰ মাশান দেও থকাৰ কথা সততে পোৱা যায়। সেইবোৰ এনে ধৰণৰ—

"১. ৰাৰীকা মাশান দেও ২. চান্দিয়া মাশান ৩. ছলনা মাশান ৪. বড়িয়া মাশান ৫. ভুলা মাশান ৬. গুটকা মাশান ৭. ওবুয়া মাশান ৮. চুচিয়া মাশান ৯. কুছলীয়া মাশান ১০. লেংটিয়া মাশান ১১. বিষুৱা মাশান ১২. ঘাটিয়া মাশান ১৩. বহতা মাশান ১৪. কাল মাশান ১৫. তিছিলা মাশান ১৬. চলনা মাশান ১৭. কালী মাশান ১৮. ডেমছা মাশান।" (ভকত, দ্বিজেন্দ্ৰনাথ ৬) প্ৰতিটো প্ৰকাৰৰ মাশান দেওৰ সাধাৰণ বৈশিষ্ট্য আৰু বাসস্থান ভিন্ন। কিন্তু সামগ্ৰিক ভাবে যদি চাব যাওঁ মাশান লোক দেৱতা লম্বা ব্যক্তিগৰাকী চৌকা বা আখালৰ মাটি, এঙাৰ আৰু ভজাবস্তু খাবলৈ পছন্দ কৰে। ৰাতি টোপনিত প্ৰস্ৰাৱ কৰা আৰু সপোনত প্ৰলাপ বকিবলৈ ধৰে। আনহাতে তেজ হাগনি, বদহজম, স্বপ্নদোষ আদি ৰোগৰ বাবে ব্যক্তিগৰাকী ৰুগীয়া আৰু দুৰ্বল হৈ পৰে। এইধৰণৰ বিপদৰ পৰা হাত সাৰিবলৈ কোচ ৰাজবংশী লোক সকলে মাশান দেওক পূজা-পাতল আগবঢ়ায়। এই প্ৰক্ৰিয়াটো প্ৰাগ ঐতিহাসিক। প্ৰাচীন কামতা-কামৰূপ অঞ্চলত এই মাশান লোক দেওৰ বহুতো কিংবদন্তী আৰু লোক কাহিনী জনসাধাৰণৰ মাজত প্ৰচলিত আছে। মাশান দেওৰ জন্মৰ সম্পৰ্কত মৌখিক সাহিত্যত এনেদৰে পোৱা যায়— এদিন কালি নদীত অকলে গা ধুই আছিল। এনে সময়তে হঠাৎ তাত ধৰ্ম ঠাকুৰৰ আবিৰ্ভাৱ হয় আৰু কালী আৰু ধৰ্ম ঠাকুৰৰ মিলনৰ ফলত মাশান দেওৰ জন্ম। কিন্তু এনে মুখে মুখে চলি অহা কাৰবাৰটো নৃগোষ্ঠীয় গোট একোটাক আৰ্যকৰণ কৰাৰ প্ৰাথমিক অৱস্থা বুলি কব পাৰোঁ। কিয়নো কালী আৰ্য দেৱতা। আনহাতে ধৰ্ম ঠাকুৰ হৈছে উত্তৰ বঙ্গত পূজিত গ্ৰাম্য দেৱতা তথা শিৱৰ আঞ্চলিক ৰূপ। গতিকে দুটা আৰ্য দেৱতাৰ মিলনৰ ফলত কিদৰে মাশান দেওৰ জন্ম সম্ভৱপৰ। গতিকেসংস্কৃতায়নৰ পিছৰ সময়ছোৱাত এনেধৰণৰ লোক কাহিনী সমূহৰ দ্বাৰাই আগ্ৰাসনৰ ৰাজনীতিৰ সমান্তৰাল ভাবে পাৰে প্ৰকাৰন্তে মাশান দেওক কাৰ্যত আৰ্য দেৱতাৰ শাৰীত উত্তৰণ ঘটাব বিচৰা হৈছে। মাশান দেওক আগবঢ়োৱা নৈবদ্য সমূহতো পৰিৱৰ্তনৰ আভাস এটা পোৱা যায়। 'প্ৰসাদৰ ক্ষেত্ৰত ব্যৱহৃত পোৱা মাছ, আধাপোৰা পাৰ, শুকান মাছ আদিৰ উপকৰণবোৰে চিকাৰ কেন্দ্ৰিক জীৱনৰ ইঙ্গিত বহন কৰে। আনহাতে দধি-চিৰা, গাখীৰ, কল, চেনি আদিৰ ব্যৱহাৰে ইয়াৰ আৰ্যকৰণ ৰূপটো প্ৰকট কৰি তোলে।'(ভকত, দ্বিজেন্দ্ৰনাথ ৪) আনহাতে পূৰ্বতে মাশান দেওক পূজনৰ বাবে গাহৰি বলি দিয়াৰ উমান পোৱা যায়। ইয়াৰ সপক্ষে কব পাৰোঁ যে কোনো কোনো ঠাইত মানস থাকিলে মাশান দেওৰ নামত মাটিৰ গাহৰিক উচৰ্গা কৰা হয়। গতিকে এনেধৰণৰ যুক্তি সিদ্ধ কথাবতৰাৰ পৰা আমি এইটোই কব পাৰো যে লোক দেৱতা হিচাপে 'মাশান' সংক্ৰান্তিয় লোক বিশ্বাস বা ধ্যান ধাৰণা অক্ষত থকাৰ বিপৰীতে পূজক গোষ্ঠীৰ চৰিত্ৰ, মানসিক স্থিতি আৰু সাংস্কৃতিক পৰিভাষাৰ পৰিৱৰ্তন স্পষ্ট ৰূপ পৰিলক্ষিত হৈছে। সমান্তৰাল ভাবে আমি সমাজ বিৱৰ্তনৰ ছবি এখনো পাওঁ।

কোচ ৰাজবংশী সকলৰ অন্য এক লোক দেৱতা হল 'হুদুম দেও' অৰ্থাৎ হুদুম দেৱতা। এই

লোক দেৱতাৰ পূজা সাধাৰণতে শস্য ভূমিৰ উৰ্বৰতা আৰু বৰষুণ কামনা কৰি কৰা হয়। হুদুম দেও পূজাৰ এই গোটেই প্ৰক্ৰিয়াটো মহিলাৰ দ্বাৰা পৰিচালিত হয়। বহাগ আৰু জেঠ মাহৰ ভিতৰত এ পূজা কৰা হয়। দৰাচলতে এই সময়ছোৱাত হুদু চৰাইৰ প্ৰজননৰ সময়। লোক বিশ্বাস অনুসৰি হুদু চৰাইক বান্ধি চাৰিওফালে শৃঙ্গাৰ নৃত্য কৰিলে পৃথিৱীৰ বুকুলৈ বৰষুণৰ ধল নামি আহে আৰু পৃথিৱীখন শস্য শ্যামলা হৈ পৰে। এনেধৰণৰ পূজাই সাধাৰণতে এই জনগোষ্ঠীটোৰ কৃষি কেন্দ্ৰীক প্ৰাচীন সমাজ ব্যৱস্থাৰ কথা উমান পাব পাৰি। এই উৎসৱৰ প্ৰাসংগিকতাটো সৃষ্টিৰ লগত জড়িত, যত প্ৰকৃতিৰ উপকৰণ এটাক অলৌকিক শক্তিলৈ উত্তৰণ ঘটোৱা হৈছে। কেতিয়াবা হুদুম চৰাইৰ পৰিৱৰ্তে কলগছ এডালক নৈৰ পাৰ বা নিৰ্জন ঠাইত ৰোপন কৰি মহিলা সকলে সম্পূৰ্ণ উলঙ্গ হৈ যৌন সম্ভোগৰ অশ্লীল অঙ্গি-ভঙ্গীৰে 'হুদুম দেও'ক পূজা আগবঢ়ায়। এনেধৰণৰ সাংস্কৃতিক বৈশিষ্ট্যবোৰে মূলত আদিম নৃ-গোষ্ঠীয় এটাক হে প্ৰতিনিধিত্ব কৰে। একেটা যুক্তিতে কব পাৰো 'যোগিনীতন্ত্ৰ'ত কোচ সকলক 'কুবাচ' বুলি অভিহিত কৰিছিল। 'কু' মানে বেয়া 'বাচ' মানে ভাষা। অৰ্থাৎ আৰ্য সকলৰ দৃষ্টি কোচ সকল বৰ্বৰ আৰু বেয়া ভাষা কোৱা লোক। এনেধৰণৰ কথাবোৰত যদিও সভ্যতা আৰু সাংস্কৃতিক আগ্ৰাসনৰ ৰাজনৈতিক পটভূমিত গঢ়ি উঠিছিল, তথাপি ইয়ে আকৌ কোচ সকলৰ সমাজতাত্ত্বিক আৰু নৃতাত্ত্বিক অধ্যয়নৰ সমল যোগান ধৰিছে। পুৰুষ যদি কৰ্ষন শক্তিৰ বাহক, তেন্তে নাৰীক সততে সৃষ্টিৰ দৰে কৰ্ম ভাৰ অৰ্পণ কৰা হয়। সংস্কৃতায়নৰ পূৰ্বে কোচ ৰাজবংশী সকলৰ সমাজ ব্যৱস্থা মাতৃতান্ত্ৰিক আছিল। যিটো নেকি হুদুম দেও, কাতি পূজা, কঢ়া-কঢ়ি ইত্যাদিৰ দৰে নাৰীৰ আধিপত্যতা আৰু দেৱী উপাসনাৰ পৰা উমান পাব পাৰি। বহু পণ্ডিতে মত পোষণ কৰিছে যে কোচ ৰাজবংশী লোক সকলে হিন্দু সভ্যতাৰ প্ৰতি লাহে লাহে আকৃষ্ট হোৱাৰ পিছত হে মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ পৰা পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থালৈ গমন কৰে। সংস্কৃতায়নৰ বহু পিছতো কোচ ৰাজবংশী সমাজত বিবাহ ব্যৱস্থাত পুৰুষে নাৰী এগৰাকীক বিবাহ সূত্ৰে গাধন দিব লগাত পৰিছিল। অন্যহাতে 'ধোকা যোৱা প্ৰথা' সূত্ৰে ল'ৰাই হে ছোৱালীৰ ঘৰলৈ যাব লাগিছিল। গতিকে সমাজ বিৱৰ্তনৰ যি ধাৰা তাক আমি লোক দেৱতা সমূহৰ অধ্যয়নৰ দ্বাৰায়ো বিশ্লেষণ কৰি চাব পাৰোঁ।

কোচ ৰাজবংশী সকলৰ অন্য এক লোক দেৱতা হল 'সোণাৰায়'। সোণাৰায় পূজাত মূলত বাঘক দেৱতা জ্ঞানেৰে পূজা কৰা হয়। এই সম্পৰ্কত বিভিন্ন লোক কথা, কাহিনী জন মানসত প্ৰচলিত থকা দেখা যায়। কথিত আছে যে কোচ ৰাজবংশী সকলে হাবি-জংগল তথা দুৰ্গম অঞ্চলত বসতি স্থাপন কৰিছিল। গতিকে এনে পৰিৱেশত পশুপালন আৰু কৃষি জীৱী এই জনগোষ্ঠীটোক বাঘে বিস্তাৰ ক্ষতি সাধন কৰিছিল। যাৰ প্ৰতিকাৰ ৰূপে কোচ ৰাজবংশী লোক সকলে বাঘ পূজা বা সোণাৰায় পূজা কৰিবলৈ আৰম্ভ কৰে। দৰাচলতে এই লোক দেৱতাৰ পূজাই এই জনগোষ্ঠীটোৰ কৃষি আৰু পশুপালন যুগৰ নেতৃত্ব বহন কৰিছে। এই ফালৰ পৰা এই লোক দেৱতাৰ অৱস্থিতি আৰু অৱস্থান প্ৰাচীন। অবিভক্ত গোৱালপাৰা জিলাৰ সমান্তৰাল ভাবে উত্তৰবঙ্গ, মেঘালয় আৰু বাংলাদেশ ইত্যাদি ঠাইত পূৰ্বৰ পৰাই এনে লোক দেৱতাৰ পূজা চলি আহিছে আৰু বৰ্তমানো প্ৰচলিত হৈ আছে। বহু পণ্ডিতে হিন্দু সভ্যতাৰ নায়ক কৃষ্ণৰ লগত সোণাৰায় লোকদেৱতাক তুলনা কৰিছে আৰু বুৰঞ্জী তথা মহাকাব্যিক উক্তিৰে সোণাৰায়

লোক দেৱতাক বৈদিক দেৱতা ৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰৱণতা দেখুৱাই আহিছে। দেখা যায় পৰিৱৰ্তিত সময়ছোৱাত এই লোক দেৱতাৰ ৰীতি নীতিৰ ক্ষেত্ৰত নতুন সংযোজন ঘটিছে। পুহ মাহত চেমনীয়া সকলে হাতত 'চোঁৱাৰ' লৈ সোণাৰায় পূজাৰ লগত সংগতি ৰাখি ঘৰে ঘৰে মাগন কৰিবলৈ যায়। তেনে মাগনৰ ধন বা সংগ্ৰহিত সম্পদেৰে পুহমাহ আৰু মাঘৰ দোমাহীত সোণাৰায়ৰ পূজা কৰা হয়, লগতে ভোজ ভাত খোৱা হয়। ভয় আৰু আত্মৰক্ষাৰ পৰা উৎপত্তি হোৱা সোণাৰায় পূজা পিছলৈ ভোজৰ অনুষ্ঠানত হে পৰিণত হল। গতিকে পূজক গোষ্ঠীৰ সমাজ তথা চিন্তাৰ যে বিৱৰ্তন ঘটিছে সেয়া ধ্ৰুৱ সত্য। সোণাৰায় লোকদেৱতাৰ পূজাত সাধাৰণতে মূৰ্ত্তিৰ ব্যৱহাৰ দেখা নাযায়। কিন্তু 'উত্তৰবঙ্গৰ কিছু অঞ্চলত সোণাৰায় ঠাকুৰৰ কুহিলাৰ বা মাটিৰ মূৰ্ত্তি তৈয়াৰ কৰি পূজা দিয়া দেখা যায়। মূৰ্ত্তিটো বাঘৰ পিঠিত বহি থকা, ডিঙিত ৰুদ্ৰাক্ষৰ মালা, মূৰত জঁটা, কঁকালত গণ্ডিক সেৱনৰ কক্ষী, পিন্ধনত বাঘৰ ছাল আৰু সৰ্পভূষণ, একহাতত ত্ৰিশূল আনহাতত বৰাভয় আৰ্থৎ আশীবাদ আৰু আশ্বাসসূচক কৰভঙ্গী। মূৰ্ত্তিটো স্পষ্টৰূপত শিৱমূৰ্ত্তি বুলি ভাব হয়।' (ভকত, লাবণ্য ১১) সাধাৰণতে কোচ ৰাজবংশী লোক দেৱতা সমূহৰ মূৰ্ত্তি বা কংক্ৰিত আকাৰত পোৱা নাযায়। প্ৰাকৃতিক উপাদান সমূহেই প্ৰতীতি অৰ্থত ব্যৱহাৰ হৈ আহিছে। খ্ৰীষ্টধৰ্ম গ্ৰহণ নকৰাৰ আগতে গাৰো সকলৰ মাজত শীল আৰু গছ উপাসনাৰ পৰম্পৰা আছিল। গতিকে এনেধৰণৰ উক্তিৰ দ্বাৰা আমি এইটোয়ে কব পাৰো যে সময়ৰ পৰিৱৰ্তনৰ লগতে কোচ ৰাজবংশী জনগোষ্ঠীয় লোক সকলে নিজৰ মূলৰ পৰা আঁতৰি অহাৰ সমান্তৰাল বাবে নিজৰ চিন্তা চেতনা, ধৰ্মীয় ভাৱনা, লোক বিশ্বাস, ৰীতি নীতি, গোষ্ঠীয় আচৰণ ইত্যাদি সকলোবোৰতে আৰ্য সভ্যতাই বাৰুকৈ প্ৰভাৱ বিস্তাৰ কৰিলে।

কোচ ৰাজবংশী সকলৰ মাশান দেও, হুদুম দেও, সোণাৰায় ইত্যাদি লোক দেৱতা সমূহ আন আন গোষ্ঠী সমূহৰ মাজতো মানি চলি অহা দেখা যায়। যিটোক আমি সংস্কৃতিৰ ব্যাপন বুলি কব পাৰি। বিশেষকৈ মাশান দেৱতা ৰাভা, কৈৱৰ্ত, হাজং তথা গাৰো সকলৰ মাজত মাশানৰ সমকক্ষ সংহাৰি 'নৱাঙ' অপ দেৱতাৰ উমান পোৱা যায়। 'কথিত আছে জীৱন্ত মানুহক ভক্ষণ কৰিবলৈ নৱাঙে মানুহ বা জন্তুৰ ৰূপলৈ দিহিঙে দিপাঙে ঘুৰি ফুৰে। নৱাঙ লম্তা ব্যক্তিৰ পেটৰ বিষ, বমি, হাগিনি আদি হয়। গাৰো সকলে নৱাঙৰ পৰা হাত সাৰিবলৈ লগত লোৰ দা লৈ ফুৰে।' (ভকত, লাবণ্য ৯) মাশানৰ সমান্তৰাল ভাবে সোণাৰায় বা বাঘ পূজাৰ প্ৰথাটো বড়ো, নগা, ৰাভা ইত্যাদি জনজাতি সকলোৰ মাজতো প্ৰচলন থকা দেখা যায়। গতিকে এনেধৰণৰ সামঞ্জস্য মূলক অৱস্থানে কোচ ৰাজবংশী সকল যে বৃহৎ মঙ্গলোয়ড শ্ৰেণীৰে অংশ সেয়া স্পষ্ট আকাৰত পৰিলক্ষিত হয়।

**উপসংহাৰ ঃ**

কোচ ৰাজবংশী সকলৰ লোক দেৱতা সমূহৰ এইদৰে পৰ্যালোচনা কৰিলে দুটা প্ৰতি ছবি আমাৰ মাজ ভাঁহি উঠে— প্ৰথম সংস্কৃতায়নৰ আগৰ চিকাৰজীৱী, কৃষি নিৰ্ভৰশীল আদিম সমাজখন আৰু দ্বিতীয়তে সংস্কৃতায়নৰ পিছৰ আৰ্য সভ্যতাই গ্ৰাস কৰা কোচ ৰাজবংশী সমাজখন। পৰিৱৰ্তনৰ এই সময়ছোৱাত এই জনগোষ্ঠীটোয়ে নৃ-গোষ্ঠীয় আচৰণ আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ বিৱৰ্তনৰ সমান্তৰালভাৱে লোক বিশ্বাস, সংস্কৃতিৰ বহুতো উপকৰণ, ভাষা এই সকলোতে

সংমিশ্ৰণ আৰু পৰিৱৰ্তন ঘটিছে। গতিকে অবধাৰিত ভাৱে এনে পৰিৱৰ্তনে সমাজখনৰো বিশেষ পৰিৱৰ্তন সাধিত কৰিলে। ভাষাৰ ক্ষেত্ৰত তীব্বত বৰ্মী ভাষা পৰিহাৰ কৰি আৰ্য ভাষা গ্ৰহণ কৰা হল। বৰ্তমান প্ৰচলিত কোচ ভাষাৰ লগত কোচ ৰাজবংশী সকলে ব্যৱহাৰ কৰা (৫) ভাষাটোৰ শব্দগত দিশত বহুতো মিল পোৱা যায়। যদিও আৰ্য সভ্যতা আৰু সংস্কৃতিৰ গ্ৰহণ বা গ্ৰাসত কোচ ৰাজবংশী জনগোষ্ঠীটোৰ ভাষিক, সাংস্কৃতিক আৰু সমাজ ব্যৱস্থাৰ বিপুল পৰিৱৰ্তন হল, তথাপিও এই জনগোষ্ঠীটোৰ সংস্কৃতি, লোক-বিশ্বাস, ৰীতি-নীতি তথা আচৰণত প্ৰাচীন নৃ-গোষ্ঠীয় সভ্যতাৰ ক্ষীণ স্মৃতি এটা পৰিলক্ষিত হয়। যিয়ে নেকি অনাগত দিনত এই বিষয়ত বিস্তাৰিত ৰূপত গৱেষণাৰ বাট মুকলি কৰিব।


**প্ৰসংগ গ্ৰন্থ পঞ্জী ঃ**

**অসমীয়া গ্ৰন্থ ঃ**

চৌধাৰী, অম্বিকাচৰণ। *কোচ ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি*।বঙ্গাইগাঁও ঃ ইউনিক প্ৰিন্টাৰ্ছ,২০১১।

ভকত, দ্বিজেন্দ্ৰনাথ। *অসমৰ কোচ-ৰাজবংশী জনজাতি*। চিলাৰায় কলেজ। গোলোকগঞ্জ ঃ ছেন্টাৰ ফৰ এথ্নিক ষ্টাডি এণ্ড ৰিচাৰ্ছ, ২০০৮

———। *ৰাজবংশী লোক সাহিত্য*। গোলোকগঞ্জ ঃ ছেন্টাৰ ফৰ এথ্নিক ষ্টাডি এণ্ড ৰিচাৰ্ছ, ২০০৮

———। মাশান। চিলাৰায় মহাবিদ্যালয়, গোলকগঞ্জ ঃ জনগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ, ২০০৭

ভকত, লাবণ্য। *ৰাজবংশী লোক- সংস্কৃতি*। ধুবুৰী ঃ বনমালী প্ৰকাশন, ২০১৪। মুদ্ৰিত।

**ইংৰাজী গ্ৰন্থ ঃ**

Rao, C N Shankar : Sociology, Ram Nagar. New Delhi-110055, Seventh Edition-2012, Reprint-2019. Print.

**ইণ্টাৰনেট ঃ**

https://en.wikipedia.org/wiki/Trans-cultural_diffusion, last edited on 6 September 2020, at 09:02 (UTC).

ISSN : 2348-6430
Volume : IX
Issue : IX, December, 2022

# AITHUN

(A Multilingual, Multidisciplinary Peer-reviewed National Annual Journal)

Janata College, Serfanguri
Kokrajhar, BTR
Assam, India

## ASSAMESE SECTION


- মনালিছা শইকীয়াৰ গল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

  ✍ অৰূপ দাস — *161*
- বৰপেটা সত্ৰৰ লোকশিল্প ঃ শৈল্পিক সৌন্দৰ্য আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত ইয়াৰ ভূমিকা

  ✍ উপাসনা চৌধুৰী — *168*
- শীলভদ্ৰৰ 'আইঁতগুৰি' উপন্যাসত গৌৰীপুৰ কেন্দ্ৰিক লোকভাষাৰ প্ৰয়োগ ঃ এটি আলোচনা

  ✍ ড° উমাকান্ত ৰায় — *178*
- ধৰণীধৰ ঔৱাৰীৰ বড়ো উপন্যাস 'মৈহুৰ'ৰ অসমীয়া অনুবাদ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

  ✍ কৃষ্ণা দাস — *187*
- বিপুল খাটনিয়াৰৰ গল্প 'ঘঁৰিয়ালডাঙাৰ কথা' ঃ এটি পৰ্য্যালোচনা

  ✍ কৌশিক ঠাকুৰীয়া — *191*
- 'মাটিৰ মানুহ' উপন্যাসত প্ৰতিফলিত গ্ৰাম্য জীৱন

  ✍ গীতাশ্ৰী কলিতা — *197*
- বিষ্ণুপ্ৰসাদ ৰাভাৰ 'সপোন কুঁৱলী' নাটত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ চিত্ৰ

  ✍ ড° গোবিন্দ বৈশ্য — *207*
- জনজাতীয় সাধুকথাত টোটেমবাদ আৰু পাৰিপাৰ্শ্বিক সচেতনতাৰ প্ৰসঙ্গ

  ✍ চক্ৰধৰ ৰায় — *210*
- স্নেহ দেৱীৰ গল্পত প্ৰগতিশীল চিন্তা

  ✍ ড° চাণক্য বৈশ্য — *217*
- সঙ্গীত-নাটক অকাডেমি বঁটাপ্ৰাপক, বিশিষ্ট মুখা-শিল্পী হেমচন্দ্ৰ গোস্বামীদেৱৰ লগত বিশেষ সাক্ষাৎকাৰ

  ✍ সাক্ষাৎ গ্ৰহণ ঃ জয়ন্ত হাজৰিকা — *225*
- কথা সাহিত্যিক হিতেশ ডেকাৰ সাহিত্যত পুৰাণ অনুষংগ

  ✍ ড° ডিম্বেশ্বৰ দাস — *232*
- সাদানি ভাষাৰ শব্দ ভাণ্ডাৰ ঃ এটি অধ্যয়ন

  ✍ দিপাঞ্জলী মেধি দাস

  ✍ ড° প্ৰণীতা দেৱী — *239*
- কৰবী ডেকা হাজৰিকাৰ 'অনুপমা অৰুণা কুসুম ইত্যাদি' উপন্যাসত লোক-সাংস্কৃতিক উপাদান ঃ এটি অধ্যয়ন

  ✍ দীপক কুমাৰ ৰয় — *244*

**AITHUN**
Volume : IX
Issue : IX, December, 2022
*An Annual Peer-Reviewed Journal*
ISSN-2348-6430

# জনজাতীয় সাধুকথাত টোটেমবাদ আৰু পাৰিপাৰ্শ্বিক সচেতনতাৰ প্ৰসঙ্গ

**চক্ৰধৰ ৰায়**

**সংক্ষিপ্তসাৰ ঃ**

মানৱজাতিৰ বিৱৰ্তনৰ ইতিহাসত ইউৰোপীয়ান ৰেনেছাঁ বা নৱজাগৰণ হৈছে মধ্যযুগ আৰু আধুনিক যুগসমূহৰ মাজত সেঁতুবন্ধন স্বৰূপ। নৱজাগৰণৰ পিছতে মধ্যযুগৰ সামন্তবাদী চিন্তাৰ বিপৰীতে মানুহে আধুনিক যুগৰ বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ ফালে গতি কৰা পৰিলক্ষিত হয়। চৰ্তুদশ শতিকাত ইউৰোপ আৰু উত্তৰ আমেৰিকাত গঢ় লোৱা এই বিপ্লৱ আছিল জ্ঞানতাত্ত্বিক চিন্তাৰ সকলো দিশতে এক নতুনত্বৰ সৃষ্টিৰ যুগ। এই সময়ছোৱাত বিজ্ঞান, চিকিৎসা, উদ্যোগ, সাহিত্য, সংস্কৃতি সকলো দিশৰ পৰিৱৰ্তনৰ মাজেদি এক নব্য চিন্তা চৰ্চাৰ পৰিকাঠামো নিৰ্মাণ হোৱা দেখা যায়। কিন্তু ব্যাপক ৰূপত ঘটা শিল্প বা উদ্যোগিক বিপ্লৱে মানুহ আৰু প্ৰকৃতিৰ মাজত দূৰত্ব বঢ়াই আনিলে। বিজ্ঞানৰ ন ন আৱিস্কাৰ আৰু নগৰকেন্দ্ৰিক চিন্তা-চৰ্চাই মানুহক গাঁৱলীয়া জীৱনৰ পৰা আঁতৰাই ৰখা দেখা গ'ল। অনুষাঙ্গিকভাৱে উদ্যোগিক বিকাশেই পৰিৱেশ ধ্বংসৰ মূল কাৰণ হৈ উঠিল। সমান্তৰালভাৱে দেশৰ নিৰাপত্তাত যুদ্ধ আৰু সামৰিক অনুশীলনসমূহও পৰিৱেশ বিনষ্টৰ কৰা দেখা গ'ল। এনে সময়ছোৱাত পৰিৱেশ সংৰক্ষণ আৰু পৰিৱেশৰ সৈতে নৈতিকতাৰে সহাৱস্থানৰ বিষয়টো মানৱজাতিৰ বাবে প্ৰত্যাহ্বান হৈ পৰিল। এনে প্ৰত্যাহ্বানৰ বিপৰীতে মানৱজাতিৰ আদি পুৰুষ বা জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত টোটেমবাদৰ ধাৰণাই পৰিৱেশ সচেতনতাৰ ক্ষেত্ৰত কিছু ইতিবাচক দিশ দাঙি ধৰা দেখা যায়। টোটেমবাদ হৈছে এক বিশ্বাস য'ত জনজাতীয় মানুহখিনিয়ে জীৱ-জন্তু, গছ, চৰাই-চিৰিকটি ইত্যাদি প্ৰকৃতিৰ উপাদানসমূহক ভগৱানৰ শাৰীত ৰাখে তথা জীৱ-জন্তু বা চৰাইৰ বংশধৰ বুলি নিজকে ভাৱে আৰু তাক অনিষ্ট কৰাৰ পৰা দূৰত অৱস্থান কৰে। এনে টোটেমবাদৰ ধাৰণাৰে আমাৰ এই গৱেষণা পত্ৰখনত অসমৰ জনজাতি তিৱা, লাখেৰ আৰু টাংছাসকলৰ সাধুকথা ক্ৰমে মানৱ শিশু এটি বনৰৌলৈ পৰিণত হোৱাৰ কাহিনী, এজনী সুন্দৰী ছোৱালী আৰু অজগৰৰ বিয়াৰ কাহিনী আৰু খুনলুং আৰু খুনলাই আদিত প্ৰতিফলিত টোটেমবাদ আৰু টোটেমবাদে পাৰিপাৰ্শ্বিক সচেতনতাৰ দিশটো কিদৰে দাঙি ধৰিছে তাক ফঁহিয়াই চাবলৈ দাঙি যত্ন কৰা হ'ব।

**বীজ শব্দ ঃ** নৱজাগৰণ, সাধুকথা, পৰিৱেশ, টোটেমবাদ, জনজাতি।

**অৱতৰণিকা ঃ**

ইংৰাজী Totem শব্দটো আহিছে আমেৰিকাৰ নৃগোষ্ঠী Ojibwa সকলৰ শব্দ Oteteman ৰ পৰা, যাৰ অৰ্থ হৈছে কিছু অনিশ্চয়তা। আকৌ 'Ote' শব্দই একে মাতৃৰ ভাই-ভনীৰ মাজত তেজৰ সম্পৰ্কক বুজায়। Ojibwa জনগোষ্ঠীৰ মেথডিষ্ট মিছনাৰী পিটাৰ জনছে প্ৰথমবাৰৰ বাবে টোটেমৰ ওপৰত সঠিক প্ৰতিবেদন প্ৰস্তুত কৰিছিল, পিছত ১৮৫৬ চনত মৰণোত্তভাৱে প্ৰকাশ পোৱা প্ৰতিবেদনখনত তেখেতে লিখিছিল- মহান আত্মাই Ojibwa সকলক টোটেম প্ৰদান কৰিছে আৰু এই কাৰণে গোটৰ সদস্যসকলে কেতিয়াও পাহৰিব নালাগে যে তেওঁলোক ইজনে সিজনৰ লগত সম্পৰ্কিত আৰু এনে সম্পৰ্কৰ কাৰণে নিজৰ মাজতে বিবাহৰ দৰে কাৰ্য নিষিদ্ধ। জন লং নামে এজন নৃতত্ত্ববিদে 'টোটেম' শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল। ধাৰণাগতভাৱে পৃথিৱীৰ বহু প্ৰাচীনতম জনগোষ্ঠীসমূহে বিশ্বাস কৰে যে কিছুমান গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাজত তেওঁলোকে অশুভ শক্তিসমূহৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষমতা, পূৰ্বপুৰুষৰ বিৱৰ্তনৰ স্মৃতি আৰু আধ্যাত্মিক সত্ত্বাসমূহ লুকাই থাকে। সেয়েহে তেওঁলোকে এনে প্ৰাকৃতিক উপাদানসমূহক নিজৰ পূৰ্বপুৰুষ বা বংশধৰ বুলি বিবেচনা কৰে আৰু তাৰ অনিষ্ট কৰা পৰা আঁতৰি থাকে। জনগোষ্ঠীসমূহৰ মাজত গঢ়লৈ উঠা এনে আদিম বিশ্বাসকে টোটেমবাদ বুলি কোৱা হয়। এই টোটেমসমূহৰ দ্বাৰাই জনগোষ্ঠী এটাৰ মাজত একধৰণ চিন্তাধাৰা, বিশ্বাস, একতাৰ লগতে সাংস্কৃতিক পৰিভাষাসমূহৰো গঢ় লোৱা দেখা যায়। জে. জি. ফ্ৰাজাৰে টোটেমৰ বিষয়ত কৈছে— 'টোটেম হৈছে এটা বস্তুৰ শ্ৰেণী, যাক এজন অন্ধবিশ্বাসী বন্য ব্যক্তিয়ে সন্মানৰ বুলি গণ্য কৰে, বিশ্বাস কৰে যে তেওঁৰ মাজত গোষ্ঠীটোৰ প্ৰতিজন সদস্যই এক অন্তৰংগ আৰু সম্পূৰ্ণৰূপে অস্তিত্ব লাভ কৰে।'[১] তেখেতে তিনিধৰণৰ টোটেমৰ কথা কৈছিল— প্ৰজন্মৰ পৰা প্ৰজন্মলৈ উত্তৰাধিকাৰী সূত্ৰে চলি অহা টোটেম, লিঙ্গ টোটেম আৰু ব্যক্তিগত টোটেম। ফ্ৰাজাৰৰ এনে বিভাজনৰ পৰা ব্যক্তিগত আৰু দলীয় টোটেমবাদৰ ধাৰণা পোৱা যায়। ব্যক্তিগত টোটেমত কোনো ব্যক্তি আৰু জীৱ-জন্তুকে আদি কৰি প্ৰাকৃতিক উপাদনৰ মাজত গঢ়ি উঠা দেখা যায়। মূলতঃ ব্যক্তিগত টোটেমত আত্মাৰ বিষয়টো জড়িত হৈ থাকে তথা ব্যক্তি আৰু সেই প্ৰাকৃতিক উপাদানৰ মাজত বন্ধুত্ব আৰু সুৰক্ষাৰ প্ৰসঙ্গটো প্ৰাধান্য পায়। উদাহৰণ স্বৰূপে পশ্চিম অসমত বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ মাজত লোক বিশ্বাস আছে যে 'ভৈৰৱ' নামৰ এটা আত্মাই গৃহস্থৰ ঘৰখনক ৰাতি সুৰক্ষা দিয়ে। লোকশ্ৰুতি মতে সাজত বগা ধুতি পৰিহিতা এই ভৈৰৱে নিজৰ শক্তিৰ সহায়ত আকাৰত ডাঙৰ আৰু সৰু হ'ব পাৰে। গতিকে গৃহস্থ আৰু ভৈৰৱৰ মাজৰ বন্ধুত্ব আৰু সুৰক্ষাৰ প্ৰসঙ্গটোৱে ব্যক্তিগত টোটেমক শক্তিশালী ৰূপত দাঙি ধৰিছে। বহুক্ষেত্ৰত ব্যক্তিগত টোটেমৰ পৰাই দলীয় টোটেম বিকাশ হোৱা সম্ভাৱনা থাকে। 'এটা টোটেম-গোষ্ঠীৰ কোনো আদিবাসীয়ে একে নামৰ আন এটা টোটেম-গোষ্ঠীৰ কোনো আদিবাসীক লগ পালে দুয়ো সম্পূৰ্ণ অপৰিচিত হ'লেও তেওঁলোকৰ মাজত তাৎক্ষণাৎ এক আত্মীয়তাৰ ভাব গঢ়লৈ উঠে। উদাহৰণ স্বৰূপে, যিটো গোষ্ঠীৰ টোটেম কুকুৰ, তেওঁলোকৰ প্ৰত্যেকেই নিজকে কুকুৰৰ বংশধৰ বুলি ভাবে আৰু কুকুৰ-গোষ্ঠীৰ আন মানুহৰ লগত আত্মীয়তাৰ বান্ধোন অনুভৱ কৰে।'[২] নিউ গিনিৰ উত্তৰ অঞ্চলত বাস কৰা নৰ্-পাপুৱা (Nor-Papua) জনগোষ্ঠীৰ মাজত 'মাছ'ক টোটেম হিচাপে গ্ৰহণ কৰা পৰিলক্ষিত হয়। তেওঁলোকে বিশ্বাস কৰে মাছৰ পৰাই বিভিন্ন গোটৰ ব্যক্তিসকলৰ জন্ম হয়।

মাছক এই জনগোষ্ঠীৰ লোকসকলে আত্মাৰ বাহক বুলি বিবেচনা কৰে। সেয়েহে বিভিন্ন প্ৰজাতিৰ মাছক হত্যা আৰু ভক্ষণ কৰাটো নৰ্-পাপুৱা জনগোষ্ঠীৰ মাজত নিষিদ্ধ। 'অঙ্গামী নগাসকলৰ এটা গোষ্ঠীয়ে আৰু লাগেৰ সম্প্ৰদায়ৰ 'বঙঘীয়া' আৰু 'লিউথা' নামৰ গোষ্ঠী দুটাই নিজকে অজগৰৰ বংশধৰ বুলি গণ্য কৰে। আঙ্গামী নগাসকলৰ 'থেমভা' গোষ্ঠীয়ে আৰু চেমাসকলৰ 'আৱমী' নামৰ গোষ্ঠীটোৱে নিজকে গাহৰিৰ বংশধৰ বুলি কয়। গালং সম্প্ৰদায়ৰ কোনো কোনো গোষ্ঠীয়ে আকৌ নিজকে ভেকুলীৰ বংশধৰ বুলি ভাবে। বড়ো-কছাৰীসকলৰ মাজত 'মুছাহাৰী' নামে এটা গোষ্ঠী আছে; তেওঁলোকে নিজকে বাঘৰ বংশধৰ বুলি ভাৱে।[৩] এনে বহু উদাহৰণ পোৱা যায়, যাৰ জড়িয়তে সেই জনগোষ্ঠীৰ সদস্যসকলে নিজকে গছ-গছনি, জীৱ-জন্তুৰ বংশধৰ বুলি বিবেচনাৰ দ্বাৰা টোটেমবাদৰ ধাৰণাটোক গঢ় দিয়া পৰিলক্ষিত হয়। সমান্তৰালভাৱে এনে ধাৰণাৰ দ্বাৰাই পাৰিপাৰ্শ্বিক পৰিৱেশ আৰু মানুহৰ আন্তঃসম্পৰ্কৰ ভাৰসাম্যতা আৰু সহাৱস্থানৰ বিষয়টোও স্পষ্ট ৰূপত ফুটি উঠা দেখা যায়।

নৃতাত্ত্বিক জন ফাৰ্গুচন মেকলেনানে সৰ্বপ্ৰথমবাৰ টোটেমবাদৰ তাত্ত্বিক আলোচনা আগবঢ়োৱা দেখা যায় 'The Worship of Animals and Plants' শীৰ্ষক ৰচনাৰ মাজত। মেকলেনানে টোটেমবাদৰ উৎপত্তিগত দিশতকৈ বৰং এইটো ক'বলৈ চেষ্টা কৰিছিল যে পৃথিৱীৰ সকলো মানৱজাতিয়ে টোটেমিক পৰ্যায়ৰ মাজেৰে পাৰ হৈছিল। অৰ্থাৎ মানৱগোষ্ঠীয়ে বৰ্বৰতাৰ যুগৰ পৰা প্ৰায় একেধৰণৰ বিৱৰ্তনৰ মাজেদি আজিৰ অৱস্থা পাইছে। ই.বি. টাইলৰে টোটেমক উদ্ভিদ আৰু প্ৰাণীক পূজা কৰা ধাৰণাৰ বিপৰীতে প্ৰাণী আৰু বংশৰ মাজৰ সম্পৰ্ক বুলি অভিমত দিছিল। সমান্তৰালভাৱে টাইলৰে টোটেমক ধৰ্ম বা ধৰ্মীয় দৃষ্টিভংগীৰে গ্ৰহণ কৰা কথাটো নাকচ কৰিছিল। ইয়াৰ বিপৰীতে ফৰাছী সমাজবিজ্ঞানী ডুৰ্খাইমে প্ৰাচীন কালত এক বিশুদ্ধ ধৰ্মৰ অৱস্থিতিৰ কথা কৈছিল আৰু যাৰ উৎপত্তি টোটেমবাদৰ পৰা হৈছিল বুলি মত পোষণ কৰিছিল। নৃতাত্ত্বিক আলেকজেণ্ডাৰ গোল্ডেনৱাইজাৰে টোটেমবাদৰ লগত ধৰ্মৰ কোনো সম্পৰ্ক নাই বুলি কৈছে। সমান্তৰালভাৱে তেখেতে অভিমত প্ৰকাশ কৰিছিল যে কোনো ব্যক্তিয়ে টোটেমক নিজৰ দেৱতুল্য সত্তা বুলি বিবেচনা নকৰে বৰং নিজৰ বন্ধু বা সমান বুলি ভাবি লয়। যি কি নহওক প্ৰাচীন কালৰে পৰাই মানুহে প্ৰকৃতিৰ লগত বিৱৰ্তন আৰু সহাৱস্থা কৰিবলৈ যাওতে বিভিন্ন প্ৰাকৃতিক পৰিঘটনাৰ সন্মুখীন হৈছিল, এনে পৰিঘটনাসমূহে কেতিয়াবা আদিম মানুহক বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছিল আৰু মাজে সময়ে উপকাৰ সাধন কৰিছিল। গতিকে অপকাৰ আৰু উপকাৰ সাধন কৰা প্ৰাকৃতিক শক্তিসমূহৰ ওপৰত মানুহৰ কৌতূহল উপজিছিল, এনে কৌতূহল আৰু প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ বিষয়টোয়ে টোটেমসমূহৰ সম্ভৱত উৎপত্তিৰ কাৰণ হ'ব পাৰে। কিয়নো আদিৰে পৰা প্ৰকৃতিৰ ওপৰত আধিপত্য বিৰাজ কৰা চৰিত্ৰ মানুহে বহন কৰি অহা দেখা যায়। গতিকে এনে আধিপত্যতাৰ অন্যতম পথ হৈছে প্ৰকৃতিৰ উপাদানসমূহৰ প্ৰতি উপাসনা বা বন্ধুত্বৰ আচৰণ। টোটেমবাদৰ সন্দৰ্ভত আলোচনা কৰিবলৈ যাওতে বহু পণ্ডিতে ভিন ভিন দিশৰ কথা কৈছে, তাৰে ভিতৰত তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহ এই অধ্যয়নত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হ'ব[৪]—

১. এটা বহিঃবিবাহ বংশ।

২. টোটেমৰ পৰা উদ্ভৱ হোৱা এটা বংশৰ নাম।

৩. টোটেমৰ প্ৰতি ধৰ্মীয় মনোভাৱ বন্ধু, ভাই, ৰক্ষক ইত্যাদিৰ ৰূপত।

৪. টোটেমক হত্যা কৰা, খোৱা (কেতিয়াবা স্পৰ্শ কৰা বা দেখা)ৰ বিৰুদ্ধে নিষেধাজ্ঞা।

৫. টোটেমৰ পৰা বংশলৈ জন্মা এক বিশ্বাস।

**টোটেমবাদ আৰু পাৰিপাৰ্শ্বিক সচেতনতাৰ প্ৰসঙ্গ ঃ**

বৰ্তমান সময়ছোৱাত প্ৰাকৃতিক দুৰ্যোগসমূহৰ পৰা অৰণ্যত বসবাস কৰা জীৱ-জন্তুসমূহতকৈ মানৱজাতি অধিক ক্ষতিগ্ৰস্ত হোৱা দেখিবলৈ পোৱা গৈছে। ইয়াৰ মূল কাৰণটোৱে হৈছে প্ৰকৃতিৰ সৈতে মানৱজাতিৰ দিনে দিনে বাঢ়ি অহা দুৰত্ব। কিন্তু মনকৰিবলগীয়া কথা আন আন জীৱ-জন্তুসমূহে কিন্তু মানৱজাতিৰ দৰে ক্ষতিসাধনৰ সন্মুখীন হোৱা নাই, কাৰণ সেই জীৱ-জন্তুবোৰে প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ শৃংখলডালৰ ভাৰসাম্যতা ৰক্ষা কৰি চলিছে। শিল্প যুগৰ আৰম্ভণি আৰু মানৱকেন্দ্ৰিক পাৰিপাৰ্শ্বিক চিন্তা চেতনাই প্ৰকৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলালে। ৰাষ্ট্ৰ ব্যৱস্থাপনাৰ সমৰ্থনত পুঁজিপতি শ্ৰেণীৰ নগৰ নিৰ্মাণ, উদ্যোগিক খণ্ডৰ প্ৰচুৰ বিকাশ ইত্যাদি বিষয়সমূহে মানুহক গাঁৱলীয়া পৰিৱেশৰ বিপৰীতে নগৰমুখী কৰি তুলিলে। একেদৰে আধুনিক ৰাষ্ট্ৰসমূহৰ সুৰক্ষাৰ নিমিত্তে সামৰিক তৎপৰতা আৰু অনুশীলনবোৰৰ বাবেও পাৰিপাৰ্শ্বিক পৰিৱেশ যথেষ্ট ক্ষতিগ্ৰস্থ হোৱা দেখা গ'ল। গোলোকীয়কৰণৰ এনে প্ৰেক্ষাপটৰ বিপৰীতে টোটেমবাদৰ ধাৰণাই মূলতঃ মানৱজাতিক আদিম জীৱন শৈলীৰ কথা কয় আৰু যিটো প্ৰকৃতিৰ লগত সততে আন্তঃসম্পৰ্কৰে জড়িত। দেখা যায় যে টোটেম হৈছে এক বিশ্বাসৰ প্ৰতীক, যিয়ে কোনো এটা জনগোষ্ঠীৰ বংশক প্ৰতিনিধিত্ব কৰে। প্ৰতীকসমূহ বিশেষকৈ গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি ইত্যাদি হোৱা দেখা যায়। গতিকে এনে প্ৰাকৃতিক উপাদানসমূহৰ লগত বংশগত বিশ্বাস বা সম্পৰ্কই এক পাৰিপাৰ্শ্বিক নৈতিকতাবোধৰ পৰিমণ্ডল সৃষ্টি কৰে, য'ত সংশ্লিষ্ট মানৱ গোষ্ঠীটোৱে টোটেম বুলি প্ৰাধান্য দিয়া জীৱ-জন্তু, চৰাই-চিৰিকটিক হত্যা বা ভক্ষণ কৰাৰ পৰা বিৰত থাকে। গতিকে দেখা যায় যে টোটেমবাদৰ ধাৰণাটোৱে প্ৰকৃতিৰ সম্পদৰ মিতব্যয়তা, সংৰক্ষণ, সচেতন আৰু বহনক্ষম বিষয়টোক তুলি ধৰিছে আৰু যাৰ পৰিপ্ৰেক্ষিতত টোটেমবাদৰ দৃষ্টিকোণৰ পৰা পাৰিপাৰ্শ্বিক সচেতনতাৰ বিষয়টো অধ্যয়ন কৰাটো প্ৰাসঙ্গিক বুলি বিবেচিত হ'ব।

**জনজাতীয় সাধুকথাৰ টোটেম আৰু পাৰিপাৰ্শ্বিক সচেতনতাৰ গুৰুত্ব**

অতীতৰে পৰা অসম এখন জনজাতি প্ৰধান ৰাজ্য। অসমৰ ঠাইৰ নাম, নদীৰ নাম, খাদ্যাভাস, সাজ পাৰ, উৎসৱ, ভাষা ইত্যাদিলৈ লক্ষ্য কৰিলে যাৰ চিৰন্তন প্ৰমাণ পোৱা যায়। অসমত বসবাস কৰা প্ৰতিটো জনজাতীয়ে স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যৰে পৰিপূৰ্ণ, যিয়ে অসমৰ বাৰেবৰণীয়া সাংস্কৃতিক পটভূমি নিৰ্মাণত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। মনকৰিবলগীয়া দিশটো হৈছে জনজাতীয় লোকসকল বিশেষভাৱে প্ৰকৃতিৰ ওচৰ চপা, সেয়েহে তেওঁলোকৰ মাজত ভূমি পূজাকে আদি কৰি প্ৰকৃতিৰ অন্যান্য উপাদানসমূহক উপাসনা কৰা পৰিলক্ষিত হয়। মূলতঃ জনজাতীয় লোকসকল হৈছে কৃষিজীৱী আৰু চিকাৰ প্ৰিয়। সেয়েহে দলীয় উৎসৱসমূহ উদযাপন কৰা পৰিলক্ষিত হয় কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি। সমান্তৰালভাৱে দলীয়ভাৱে চিকাৰ কৰাৰ কাৰ্যও অসমৰ জনজাতীয় লোকসকলৰ মাজত দেখা যায়। বহুতে ক'ব খোজে যে চিকাৰ আৰু কৃষিৰ লগত জড়িত গোষ্ঠী একোটাৰ মাজত সাৰ্বাধিক ৰূপত টোটেমৰ উপস্থিতিৰ উমান পোৱা যায়। টোটেমৰ এনে প্ৰসঙ্গই জনগোষ্ঠীসমূহৰ প্ৰকৃতিৰ লগত কিমান নিবিড় সম্পৰ্কৰে সম্পৰ্কিত তাৰ আভাস পাব পাৰি। অসমৰ তিৱা, লাখেৰ আৰু টাংছা জনজাতীয় লোকসকলৰ লোক সংস্কৃতি, মৌখিক সাহিত্য ইত্যাদি অধ্যয়ন কৰিলে বিভিন্ন ধৰণৰ টোটেমৰ উল্লেখ পোৱা যাব। টোটেমকলৈ আমাৰ এই গৱেষণা পত্ৰখনত মূলতঃ দুটা বিষয় আলোচনা কৰিব চেষ্টা কৰা হ'ব। প্ৰথমটো হৈছে উল্লিখিত জনজাতীয় লোকসকলৰ সাধুকথাত টোটেমৰ

বিদ্যমান আৰু দ্বিতীয়তে সেই টোটেমে জনজাতীয় লোকসকলৰ মনত কিদৰে পাৰিপাৰ্শ্বিক গুৰুত্ব, সচেতনতা আৰু সংৰক্ষণৰ বিষয়টোক দাঙি ধৰিছে। আলোচনাৰ সুবিধাৰ্থে সাধুকথাসমূহ তলত চমুকৈ দাঙি ধৰা হ'ল -

**১. মানব শিশু এটি বনৰৌলৈ পৰিণত হোৱাৰ কাহিনী ঃ** অসমৰ জনজাতীয় লোকসকলৰ মাজত ডেকাচাং প্ৰথা পূৰ্বৰ পৰাই চলি আহিছে। তিৱাসকলৰ মাজতো এই প্ৰথা আছিল। এবাৰ এনে ডেকাচাংত এহাল প্ৰেমিক প্ৰেমিকাৰ অবৈধ্য মিলনৰ ফলত এটি শিশুৰ জন্ম হৈছিল আৰু সেই শিশুটিক ডেকাচাংৰে পৰা কিছু নিলগত শুৱাই ৰাখিছিল। ৰ'দ, বৰষুণে যাতে শিশুটিক অনিষ্ট কৰিব নোৱাৰে, তাৰ কাৰণে ওপৰত জাপি এখনেৰে ঢাকি ৰখিছিল। কিন্তু ডেকাচাংৰ কাষতে শিশুটি ইমানে কান্দিবলৈ ধৰিলে যে অন্য লোকসকলে ঘটনাটো বুজ ল'বলৈ কাষ চাপি আহিল। কিন্তু তাত গৈ মানুহবোৰে অন্য দৃশ্যহে দেখা পালে, জাপিসহ শিশুটি মাটিৰ তললৈ সোমাই গৈছে। মানুহখিনিয়ে কোৰ-কোদাল লৈ শিশুটিক উদ্ধাৰৰ বাবে খান্দিবলৈ ধৰিলে আৰু শেষত গৈ এটা বনৰৌহে পালে। অৰ্থাৎ শিশুটি বনৰৌলৈ ৰূপান্তৰিত হৈছে। তেতিয়াৰ পৰাই তিৱাসকলে বনৰৌ খাদ্য হিচাপে গ্ৰহণ কৰাৰ পৰা আঁতৰি আহে।

**২. এজনী সুন্দৰী ছোৱালী আৰু অজগৰৰ বিয়াৰ কাহিনী ঃ** এসময়ত পিথলং নামৰ এখন ঠাইত এজনী অতি সুন্দৰী ছোৱালী আছিল। যি গৰাকীয়ে খিছং নামৰ অপদেৱতাৰ মুৰব্বীক পূজা দিবলৈ পূজাৰিণী হিচাপে নিয়োজিত হৈছিল, ফলত তাই কাৰো লগত বিয়াত বহিব নোৱাৰা হৈ পৰিছিল। এদিন ঘটনাক্ৰমে তাই এডাল অজগৰ সাপৰ লগত বিয়া হয় তথা বঙঘীয়া আৰু লিউথা নামৰ দুটা সন্তানো জন্ম দিয়ে।

**৩. খুনলুং আৰু খুনলাই ঃ** তাহানিতে ৰথাছং নামে ঠাইত দুজন ককাই-ভাই একেলগে বসবাস কৰিছিল। সিঁহতৰ নাম আছিল খুনলুং আৰু খুনলাই। দুয়ো ককাই-ভাইয়ে জন্মস্থানত বহু দিন থকাৰ পিছত পশ্চিম দিশলৈ যাত্ৰা আৰম্ভ কৰিলে। গৈ গৈ তেওঁলোকে এখন নদী পালে। নদীখন বহল আৰু দ আছিল বাবে নদীখন পাৰ হ'বলৈ ঠেক আৰু বাম ঠাই বিচাৰি সিঁহত পাৰে পাৰে গৈ থাকিল। ঘটনাক্ৰমে এটা প্ৰকাণ্ড বাঘৰ সহায়ত খুনলুঙে নদীখন পায় হয় আৰু খুনলুঙৰ আচৰণত বাঘে ভাল পাই তাক নিজৰ বংশধৰ বুলি স্বীকৃতি দিয়ে।

এতিয়া উল্লিখিত সাধুকথাসমূহ আলোচনা কৰিলে দেখা যায় যে এক নং তিৱা সাধুটোত মানুহৰ অবৈধ্য মিলনৰ ফলত শিশুটিৰ জন্ম লগতে শিশুটি বনৰৌলৈ ৰূপান্তৰিত হৈছে। কাহিনীৰ শেষৰ ফালে বনৰৌটোয়ে মানুহক কিছু সামাজিক অনুশাসনৰ কথা কৈছে। জনশ্ৰুতি অনুসৰি তিৱা জনজাতীয় লোকসকলে তেতিয়াৰ পৰা বনৰৌক খাদ্য হিচাপে গ্ৰহণ নকৰে। তিৱা লোকসকলে ভাবে যে বনৰৌক খোৱা মানে নিজৰ বংশৰ মানুহকে ভক্ষণ কৰা। গতিকে সাধুকথা বা লোকপাঠটোৰ মাজত দুটা দিশ দেখিবলৈ পোৱা গৈছে। প্ৰথম কথা বনৰৌৰ সামাজিক অনুশাসনমূলক বাৰ্তা আৰু দ্বিতীয়তে বনৰৌৰ প্ৰতি মানুহৰ আত্মীয়তাবোধ আৰু বিশ্বাস, যিয়ে তিৱাসকলৰ মাজত বনৰৌক টোটেম এটালৈ ৰূপান্তৰিত কৰিছে। সামাজিক অনুশাসনমূলক বাৰ্তা মানুহে গ্ৰহণ কৰিছে আৰু তিৱা সমাজৰ পৰা ডেকাচাং প্ৰথা চিৰদিনৰ কাৰণে বিলুপ্ত ঘটিছে। গতিকে এইটো ক'ব পৰা যায় যে টোটেমৰ লগত জড়িত পৰিঘটনাবোৰে মানুহৰ সাংস্কৃতিক আৰু নৈতিক পৰিকাঠামো নিৰ্মাণৰ ক্ষেত্ৰটো অৰিহণা আছে। দুই নং সাধুটোত দেখা গৈছে যে পিথলং নামৰ ধুনীয়া ছোৱালীজনীয়ে অপদেৱতাৰ মুৰব্বী খিছঙক পূজা কৰি অকলে বসবাস কৰিছিল। এদিন তাইৰ দুৱাৰমুখত অজগৰ এডাল অহে আৰু ঘটনাক্ৰমে অজগৰ ডালৰ লগত তাইৰ বিয়া হয়। টোটেমৰ এটা বৈশিষ্ট্য হৈছে বহিঃবিবাহ। টোটেমত

বিশ্বাসী জনগোষ্ঠীসমূহৰ নিজৰ মাজত কেতিয়াও বিবাহ সম্ভৱপৰ নহয়। কিয়নো তেনে কৰিলে নিজৰ ভাই, ভনীৰ লগত বিবাহ হোৱা বুলি বিবেচিত হ'ব। যিটো টোটেমত বিশ্বাস থকা গোষ্ঠী একোটাৰ ক্ষেত্ৰত নিষিদ্ধ। গতিকে মানুহৰ অৱচেতন মনত ক্ৰিয়া কৰি থকা এনে অনুশাসনে অজগৰ এডালৰ লগত মানুহৰ বিবাহৰ প্ৰসংগেৰে বহিঃবিবাহ বিষয়টোক লোকপাঠ একোটায়ে দাঙি ধৰিছে। একেদৰে সাধুকথাসমূহত মানুহ বাঘ, হাতী, চৰাইলৈ ৰূপান্তৰিত হোৱা বিষয়টোক টোটেমবাদ ধাৰণাৰ আওতাত সামৰিব পাৰি। দ্বিতীয়তে এই সাধুটোত পিথলং আৰু অজগৰৰ দুটা সন্তানৰ কথা কোৱা হৈছে- বঙঘীয়া আৰু লিউথা। লাখেৰ জনজাতীয় লোকসকলৰ মাজত বিশ্বাস আছে যে দৰাচলতে অজগৰ এটা উপকাৰী জন্তু বা দেৱতা। অন্যক নহলেও অজগৰে নিজৰ সন্তান বঙঘীয়া আৰু লিউথা জাতিৰ লোকসকলৰ কেতিয়াও অনিষ্ট নকৰে বৰং ৰক্ষণাবেক্ষণহে দিয়ে। সমান্তৰালভাৱে এওঁলোকৰ মাজত অজগৰ মৰা বা স্পৰ্শ কৰাটোও নিষেধ। গতিকে, এনেধৰণৰ জনশ্ৰুতি আৰু লোক বিশ্বাসে অজগৰক লাখেৰসকলৰ মাজত টোটেম হিচাপে গঢ় দিছে। তিনি নং টাংছা সাধুটোত দেখা গৈছে যে খুনলুঙ আৰু খুনলাই ককাই ভায়েকক ভগৱানে সৃষ্টি কৰি পঠিয়াই দিছে। কাহিনীমতে খুনলুঙে বাঘৰ নেজডালত ধৰি নদী পাৰ হৈছে আৰু বাঘে তাৰ আচৰণত সন্তুষ্ট হৈ নিজৰ বংশৰ বুলি পৰিচয় প্ৰদান কৰিছে। টাংছা লোকসকলৰ মাজত জনবিশ্বাস এটা আছে যে খুনলুঙ বংশৰ লোকসকলক বাঘে কেতিয়াও আক্ৰমণ নকৰে, বৰঞ্চ বাঘে খাদ্য চিকাৰ কৰি আনি তেওঁলোকক দিয়ে। গতিকে এই সাধুৰ জড়িয়তে টাংছা জনগোষ্ঠীয় লোকসকলে বাঘক নিজৰ টোটেম বুলি গণ্য কৰে, সেইটো গম পোৱা গৈছে। সামগ্ৰিকভাৱে চালে আলোচিত তিৰা, লাখেৰ আৰু টাংছা সাধুৰ মাজত জনগোষ্ঠীটোৰ পৰম্পৰাগতভাৱে মানি অহা টোটেমৰ পৰিচয় আৰু ধাৰণাসমূহ স্পষ্টৰূপত ফুটি উঠিছে।

আনহাতে, আলোচ্য জনজাতীয় সাধুকথাসমূহত প্ৰতিফলিত টোটেমৰ ধাৰণাই পাৰিপাৰ্শ্বিক গুৰুত্ব, সচেতনতা, মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক ইত্যাদি দিশসমূহকো সাঙৰি লোৱা পৰিলক্ষিত হৈছে। মানৱ সৃষ্ট দুৰ্যোগ আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্যতা হেৰুৱাই পেলোৱাৰ দৰে বিষয়বোৰে বৰ্তমান সময়ছোৱাত মানৱজাতিৰ প্ৰাচীন বা জনজাতীয় জীৱন শৈলীৰ সন্ধান তথা প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ দিশটো অধ্যয়নৰ গুৰুত্ব লাভ কৰিছে। গতিকে লোকপাঠ একোটাত প্ৰকাশিত টোটেমবাদ ধাৰণাই পাৰিপাৰ্শ্বিক সচেতনতাক কিদৰে দাঙি ধৰিছে,সেয়া বিচাৰ্য বিষয় হিচাপে অগ্ৰাধিকাৰ পোৱাটো সমাজ বিজ্ঞানৰ দৃষ্টিভংগীৰ পৰা সমীচিন হ'ব। আলোচ্য তিনিটা জনজাতীয় সাধুকথাত প্ৰতিফলিত টোটেমবাদ ধাৰণাৰ পৰা আপাততঃ মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। সাধাৰণতে টোটেমবাদৰ ধাৰণাত মানুহে জীৱ-জন্তু আৰু চৰাই-চিৰিকটিক নিজৰ উপাসক দেৱতা, বন্ধু আৰু ৰক্ষক হিচাপে মানি লয়। একেদৰে টোটেম হিচাপে মানি লোৱা জীৱ-জন্তু আৰু চৰাই-চিৰিকটিক হত্যা, খাদ্য হিচাপে গ্ৰহণ নকৰা তথা স্পৰ্শ বা দেখাৰ পৰাও বিৰত থাকে। টোটেমৰ দ্বাৰা প্ৰকাশিত এনে অনুশাসনে পাৰিপাৰ্শ্বিক ভাৰসাম্যতাক ৰক্ষা কৰিছে। সমান্তৰালভাৱে টোটেমবাদে পাৰিপাৰ্শ্বিক প্ৰেক্ষাপটত মানৱকেন্দ্ৰিক দৃষ্টিভংগীৰ পৰিৱৰ্তে পৰিৱেশকেন্দ্ৰিক দৃষ্টিভংগীৰ আশ্ৰয় লোৱা দেখা গৈছে। ঠিক একেদৰে পৰিৱেশত মানুহৰ সমান্তৰালভাৱে অন্যান্য জীৱ-জন্তু তথা প্ৰাকৃতিক উপাদানসমূহৰো যে অন্তঃনিৰ্হিত মূল্য আছে তাক দেখুৱাই দিছে। সামগ্ৰিকভাৱে টোটেমবাদে প্ৰকৃতিৰ লগত মানৱজাতিৰ সহাৱস্থান, পাৰস্পাৰিক নিৰ্ভৰশীলতা দিশটো যিদৰে দাঙি ধৰিছে, ঠিক আনটো দিশত এনে সহাৱস্থানৰ বহনক্ষমৰ বাবে পাৰিপাৰ্শ্বিক সচেতনতাৰ প্ৰসঙ্গসমূহকো গুৰুত্বসহকাৰে তুলি ধৰিছে।

AITHUN/216

**প্ৰসঙ্গ টীকা ঃ**

১. J.G Franzer ঃ Totemism and Exogamy, Totemism, পৃষ্ঠা- ১

২. শিৱনাথ বৰ্মন ঃ লোককৃষ্টিৰ উৎস, পৃষ্ঠা- ৯২

৩. পূৰ্বোক্তৰ গ্ৰন্থ ঃ পৃষ্ঠা- ৯৩

৪. A.A Goldenweiser ঃ Totemism, An Analytical Study, পৃষ্ঠা- ১৮২-১৮৩

**গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া গ্ৰন্থ-**

দত্ত, দিব্যলতা ঃ জনগোষ্ঠীয় সাধু সমগ্ৰ, অসম সাহিত্য সভা, ফেব্ৰুৱাৰী, ২০১৮

বৰ্মন, শিৱনাথ ঃ লোককৃষ্টিৰ উৎস, অসম প্ৰকাশন পৰিষদ, চতুৰ্থ প্ৰকাশ ডিচেম্বৰ, ২০১৫

ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰৰ (সম্পাঃ) ঃ অসমৰ জনজাতি, কিৰণ প্ৰকাশন, ধেমাজি, তৃতীয় সংস্কৰণ অক্টোবৰ, ২০০৮

হাটো, ৱাশ্বিংটন ৰাভা ঃ অসমৰ জনজাতীয় সাধু, ষ্টুডেন্টচ্ ষ্টʼৰচ্, গুৱাহাটী, প্ৰথম প্ৰকাশ-নৱেম্বৰ,২০১৯

**ইংৰাজী গ্ৰন্থ-**

Franzer, J.G : Totemism and Exogamy, Machillan and Co.Limited, London, 1910 (PDF)

Freud, Sigmud : Totem and Tabo, Routledge & Kegan Paul, 1950 (PDF)

Goldenweiser, A.A : Totemism, An Analytical Study, The Journal of American Folklore, vol-23, No-88, 1910 (PDF)

Hopkins, Washburn : The Background of Totemism, American oriental Society, Vol. 38, 1918 (PDF)

Lang, Andrew : The Secret of the Totem, Longmans, Green and Co, New york and Bombay, 1905 (PDF)